
# বিলাতী পিঠা



শ্ৰীমানিকি মধুৰি বৰদলৈ (নেওগ)

# বিলাতী পিঠা

মাণিকিমধুৰি বৰদলৈ (নেওগ)

নন্দন প্ৰকাশ
'আজলীতৰা'
গুৱাহাটী- ৫

**"BILATI-PITHA" :** A collection of stories in Assamese by Sri Maniki Madhuri Bardoloi (Neog) and published by Nandon Prakash, 'Ajaleetara' Guwahati- 781005.

তৃতীয় প্ৰকাশ ঃ ডিচেম্বৰ ১৯৯৭

প্ৰকাশক ঃ নন্দন প্ৰকাশ
'আজলীতৰা' ঃ গুৱাহাটী- ৫

চিত্ৰাঙ্কণ ঃ সপোন মাধুৰী দত্ত (নেওগ)

মূল্য ঃ পকাবন্ধা ঃ ৩৫.০০ টকা
কেঁচাবন্ধা ঃ ২৫.০০ টকা

মুদ্ৰাকৰ ঃ শৰাইঘাট ফটোটাইপচ্
উদ্যোগ পাম,
বামুণীমৈদাম, গুৱাহাটী- ৭৮১০২১

# আশীৰ্ব্বাদ

ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহৰ ধৰ্ম্মমূলক সাধুকথাবিলাক বাদ দিলে পঞ্চতন্ত্ৰৰ সাধুকথাবিলাকেই সভ্য জগতৰ আদি সাধুকথা। এই পঞ্চতন্ত্ৰৰ পাছৰে পৰা সাধুকথা, উপকথা, চুটিগল্পই সভ্যদেশসমূহৰ সাহিত্যত আসন লাভ কৰিবলৈ ধৰে; আৰু গ্ৰীচ, ফ্ৰান্স, ইংলণ্ড আদিত গল্প-সাহিত্যৰ আসন আৰু জাকত জিলিকা হয়।

পাশ্চাত্য সাহিত্যৰ লগত সম্পৰ্ক ঘটাৰ পাছৰে পৰা ভাৰতীয় ভাষাৰ লেখকসকলেও মানৱৰ প্ৰাণৰ সুখ-দুখ, হৰ্ষ-বিষাদ আদি অনুভূতিবিলাকক গল্পৰ সাজন-কাচনেৰে সজাই-পৰাই সাহিত্যলৈ এটি নতুন অৱদান দিবলৈ ধৰে। ফল স্বৰূপে, গল্প, সাধুকথা আদি পুৰণি হৈয়ো আমাৰ এটি বিশিষ্ট আৰু নতুন সম্পদ হৈ পৰিছে।

শিশুমতি লেখিকাৰ এই সাধুকথা কেইটি উপাদানত বিলাতী হৈয়ো পৰিবেশনত একেবাৰে ঘৰুৱা, জতুৱা আৰু নিভাজ অসমীয়া। হবৰেই কথা। লেখিকাৰ লেখনীৰ কৌশল অভিমন্যুৰ বেহুভেদী কৌশলৰ দৰে "জন্মগত স্বত্ব," "জন্মগত শিক্ষা।"

কল্যাণীয়া শ্ৰীমতী জীউ-মাৰ "বিলাতী পিঠা" অসমৰ ঘৰে ঘৰে লাগ দিয়ক, মোৰ এয়ে কামনা!

সৰ্ব্বহিবন্ধা, যোৰহাট
২৩।১২।৫৪

শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত

*দ্বিতীয় সংস্কৰণৰ 'আশীৰ্ব্বাদ'টিয়েই তুলি দিয়া হ'ল।*

প্ৰকাশক

# উছৰ্গা

পৰম আৰাধ্যা মাতৃদেৱী
স্বৰ্গীয়া আজলীতৰা নেওগৰ
পৱিত্ৰ সোঁৱৰণত

"জীউ-মা"

মোৰ কথা—

এই সৰু কিতাপখনিত থকা সাধুকেইটি মই মোৰ শৈশৱতে ভাঙনি কৰিছিলো। সেই সময়তে সাধুকেইটা পঢ়ি স্বৰ্গীয় মিত্ৰদেৱ মহন্ত বৰদেউতা আৰু স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ পিতাদেৱে কণ কণ ল'ৰা-ছোৱালীয়ে পঢ়ি ভাল পাব বুলি ভাবি কিতাপৰ আকাৰে ছপা কৰি উলিয়াবলৈ মোক উৎসাহিত কৰিছিল। পুথিখনিৰ দুটি তাঙৰণ ইতিমধ্যে প্ৰকাশ হৈ গৈছে। পাঠকৰ অভূতপূৰ্ব সঁহাৰিৰ প্ৰমাণ পাইছিলো— অতি কম সময়ৰ ভিতৰতে আকৌ ছপাব লগা হোৱা বাবে। পিচে, বহুতো কাৰণত কিতাপখনিৰ তৃতীয় সংস্কৰণ প্ৰকাশ কৰা হোৱা নাছিল।

এতিয়া মোৰ সৰু ভনীটি শ্ৰীমতী জীৱন মাধুৰীয়ে নিজে প্ৰকাশ কৰিবলৈ লোৱাত আৰু মোৰ সৰু-মাজু ভনীটি শ্ৰীমতী সপোন মাধুৰীয়ে নানান অসুবিধাৰ মাজতো ভিতৰৰ ছবিখিনি আঁকি দিয়াত তেওঁলোক দুয়োলৈ মোৰ আন্তৰিক শলাগ জনালোঁ।

মাণিকি মধুৰি বৰদলৈ (নেওগ)
গণেশগুৰি ঃ গুৱাহাটী

## সূচী


| | |
|---|---|
| বিলাতী-পিঠা ... ... | ১ |
| নমুনী ... ... | ৪ |
| নিজে খোজকঢ়া জোতা ... ... | ৯ |
| চাহপানী-খোৱা বাঘ ... ... | ১১ |
| জন্মতিথি ... ... | ১৫ |
| এধানমান কুজাটি ... ... | ১৮ |
| এদিনীয়া ৰজা ... ... | ২৪ |
| "মহাৰাজ, মইহে আগতে মৰিছিলো" ... ... | ৩১ |
| ভোদাৰামৰ ভাগ্য ... ... | ৩৬ |
| জোলাৰ লৰা ... ... | ৩৯ |
| শিয়াল বন্ধু ... ... | ৪৩ |

# বিলাতী পিঠা

কোনো এখন গাঁৱত এজনী ভাবলী ছাগলী আছিল। তাইৰ সাতোটি পোৱালী। এই আঠোটি প্ৰাণী একেলগে এটি জুপুৰী ঘৰত কোনোমতে টোক্-টোক্-টাক্-টাককৈ খাই-লৈ আছিল।

এদিনাখন ভাবলীয়ে তাইৰ পোৱালীকেইটিৰ গা চেলেকি চেলেকি কলে,— "পোনাহঁত, মই ওলাই যাওঁ। তোমালোকে দ্বন্দ-হাই নকৰিবাহঁক দেই! বে-এ-এ!!'

পোৱালীকেইটিয়ে মাকক বেৰি ধৰিলে— "আমিও লগতে যাম, আই! আমাকো নিব লাগিব। নহলে, কোৱা, ঘুৰি আহোঁতে আমালৈ আনিবা কি? কি-ই-ই!!"

ভাবলীয়ে কলে,— "তোমালোক থাকাঁ। ঘূৰি আহোঁতে তোমালোকলৈ গাইপতি একেটাকৈ বিলাতী পিঠা আনিম।" পোৱালীকেইটিয়ে ৰঙত জপিয়াই নাচি নাচি গালে—

বিলাতী পিঠা, বিলাতী পিঠা!

খাই দিম একোটি, লাগিব মিঠা!!

ভাবলী ওলাই গ'ল। অলপ বাট গৈয়ে উলটি আহি কলে,— "মোক কেনেবাকৈ ওলাই যোৱা দেখিলে কুকুৰ-নেচীয়া বাঘটো ওলাবহি পাৰে। দুৱাৰখন খুন্দি খন্দি মাৰি আটাইকেইটি ভিতৰ সোমাই থাকিবাহঁক। মই উলটি নহালৈকে দুৱাৰ নেমেলিবা। পোৱালীবোৰে সুধিলে,— "কুকুৰ-নেচীয়া যে আহিছে আমি জানিম কেনেকৈ?" ভাবলীয়ে কলে,— "কুকুৰ-নেচীয়াৰ মাত হুটা, হাঁতোৰা ক'লা। বে-এ-এ।"

ভাবলী ওলাই গল। মনে মনে জোপ লৈ থাকি পিছ তলকতে কুকুৰ-নেচীয়া ভাবলীৰ ঘৰ ওলালহি। সি দুৱাৰখন হেচুকিলে। "কোন সেয়া?" —বৰ ছাগলী পোৱালীটোৱে মাত লগালে। "তোমালোকৰ আয়েৰা। মোক দুৱাৰ মেলি দিয়াহঁক।" —কুকুৰ-নেচীয়াই উত্তৰ দিলে—। "আমাৰ আই যদি মাতটো ইমান হুটা কেলেই।"

কুকুৰ-নেচীয়া মিছা পৰিল। মুখেৰে একো নামাতিলে। সি শেনটোৰ দৰে গৈ ফেঁচাটোৰ দৰে উলটি আহিল। পোনছাটেই সি এখন গোলালৈ গ'ল। তাৰ পৰা আধেৰ মাখন কিনি আনিলে। আটাইখিনি মাখন সি তেতিয়াই খাই পেলালে।

দুনাই সি ভাবলীৰ ঘৰৰ দুৱাৰখনত হেচোক মাৰিলে। "কোন সেয়া?" —মাজু ছাগলী পোৱালীটোৱে সুধিলে। "মই আয়েৰা, মোক দুৱাৰখন মেলি দিয়া।" "ওঁ, তোমাৰ মাতটি মিহি। বাৰু, তোমাৰ হাতোৰা চাওঁ, দেখুওৱাচোন।" দুৱাৰৰ চুকেদি সি তাৰ হাতোৰাটো দেখুৱালে।

"ওঁহো, তুমি আমাৰ আই নোহোৱা।" —ছাগলী পোৱালী আটাইকেউটাই মাত লগালে। সি দুনাই লাজত পৰিল, জোকৰ মুখত চুণ দিয়াৰ দৰে হ'ল। সি বাহিৰে বাহিৰে আকৌ এখন গোলালৈ গ'ল। তাত সি এসেৰ ময়দা গুড়ি কিনিলে। তাৰ সোঁ-হাতোৰাটো ময়দা গুড়িত জুবুৰিয়াই দিলে।

তিনিবাৰ নিবাৰ। শেষবাৰ সি ভাবলীৰ দুৱাৰত হেঁচোক দিলে। "কোন সেয়া?" —নুমলীয়া ছাগলীপোৱালীটোৱে সুধিলে। "মই আয়েৰা, মোক দুৱাৰখন মেলি দিয়া।" "ওঁ, তোমাৰ মাতটি মিহি। বাৰু, তোমাৰ হাতোৰাটি চাওঁ, দেখুওৱাচোন?" সি সোঁ-হাতোৰাটো দেখুৱালে। সিহঁতে বগা হাঁতোৰাটো দেখিলে। ভাবিলে এইবাৰ সঁচাকৈয়ে মাক আহিছে। সিহঁতে দুৱাৰৰ ডাং মেলি দিলে। আগত দেখে— কুকুৰ-নেচীয়া!

কুকুৰ-নেচীয়াক দেখি বেচেৰা ছাগলীপোৱালীকেইটিৰ কেনি যাওঁ কি-কৰোঁ লাগিল। সিহঁতৰ পলাবলৈ তৎ হেৰাল। যেয়ে যেনিয়ে পাৰে পলাল। দুটা সোমাল মেজৰ তলত, আৰু দুটা সোমাল চাঙৰ তলত, আৰু দুটা লুকাল দুৱাৰ চুকত। এটাই ঠাই নাপাই বেৰৰ ডাঙৰ ঘৰীটোৰ ভিতৰত সোমাল।

কুকুৰ-নেচীয়া অলপ ৰৈ সিহঁতৰ ধেমালি চালে। তাৰ পাছত সি লাহেকৈ মেজৰ তললৈ হাতোৰা ভৰালে। তাত থকা পোৱালী এটা-এটাকৈ তাৰ পেটত সোমাল। আকৌ সি চাঙৰ তললৈ চকু দিলে। তাত লুকুৱা পোৱালী দুটাও সি এটা-এটাকৈ গিলি থলে। আকৌ সি দুৱাৰ চুকত চকু ফুৰালে। তাত পলোৱা পোৱালী দুটিৰো একে দশাই হল। কিন্তু ঘৰীত সোমোৱা পোৱালীটোত তাৰ চকু নপৰিল।

কুকুৰ-নেচীয়াৰ পেটত সোমাই ছাগলী পোৱালীকেইটাই বৰ আন্ধাৰ দেখিলে। তাৰপৰা ওলাই আহিবলৈ বুলি কুকুৰ-নেচীয়াৰ পেটত যিমান পাৰে সিমান জপিয়াবলৈ আৰু গুৰিয়াবলৈ ধৰিলে। কুকুৰ-নেচীয়াই যন্ত্ৰণাত ছট্ ফটাবলৈ ধৰিলে— "ঔ ঔ ঔ!"

ভাত বা চাউল নোচোবোৱাকৈ গিলি থলে সেইবোৰ যেনেকৈ লৰা-ছোৱালীৰ পেটত গিজ্‌গিজাই খুন্দিয়া-খুন্দি কৰে, তাৰো সেয়ে হৈছিল। সি তৎ নাপাই মাটিত বাগৰি ফুৰিবলৈ ধৰিলে। ঠিক এনেতে ভাবলী ওলালহি।—

"ক'ত আছা, মোৰ পোনাহঁত!" —পোৱালী এটিও নেদেখি কাতৰ হৈ ভাবলীয়ে মাতিলে। বেৰৰ ঘৰীটোৰ ভিতৰৰ পৰা মুখ উলিয়াই সৰু পোৱালীটিয়ে মাত দিলে— "আই, মই অকলে ইয়াতে আছো। বাকী ছয়োটি কুকুৰ-নেচীয়াই গিলি থলে।"

এই কথা শুনি ভাবলী শোকত বিহ্বল হ'ল। তাৰ পাছত তাই এটা বুদ্ধি বিচাৰি পালে। চোকা কটাৰি এখন লৈ তাই মাটিত বাগৰি ফুৰা কুকুৰ-নেচীয়াটোৰ তল-পেটটো অতি সাৱধানে কাটি পেলালে আৰু ছয়োটা ছাগলী পোৱালী ওলাই আহিল, যেন সিহঁতে নতুন জনমহে পালে।

ভাবলীয়ে কলে,— "পোনাহঁত, তোমালোক সাতোটি এতিয়া সৌ জুৰিটিৰ পাৰলৈ লৰ মাৰা। তাৰ পৰা গাইপতি এটাকৈ ডাঙৰ শিল আনা। ছাগলী-পোৱালী কেইটাই সেইমতে সাতোটা শিলগুটি আনিলে। ভাবলীয়ে সেই সাতোটা শিলগুটি কুকুৰ-নেচীয়াৰ পেটত ভৰালে আৰু তাৰ পেটটো সী পেলালে। এতিয়া ভাবলী আৰু সাতোটি পোৱালীয়ে ধৰি চোচোৰাই নি তাক জুৰিৰ সোঁতত পেলাই দিলে। ঘৰলৈ উলটি আহি ভাবলী আৰু সাতোটি পোৱালীয়ে পোৰা টেকেলীত চাহ-পানী তপতালে আৰু ভাবলীয়ে অনা বিলাতী পিঠা গাইপতি একোটিকৈ লৈ ঘৰতে এখন চুৰচুৰিয়া চাহমেল পাতি খালে। খাই উঠি সাতোটি পোৱালীয়ে আকৌ ৰঙতে জপিয়াই গালে—

বিলাতী পিঠা, বিলাতী পিঠা।
খাই দিম একোটি, লাগিব মিঠা।। ○○

# নুমলী

"অকণমান তাই        নুমলী ছোৱালী
বাটত উমলি ফুৰে,
কেকোৰা-কেকুৰি        চুলিটাৰি আহি
গালে-মুখে ঢাকি ধৰে।"

ওঁ, তাই অকণমানি! নাম নমুলী। ৰঙচুৱা বাবৰি চুলিকুছি তাইৰ, গাল-মুখ ঢাকি ধৰিলে ওপৰ-মুখ হৈ জোকাৰ মাৰি তৰা যেন চকু দুটি মুকলি কৰি লয়। বাটে-পথে য'তে-ত'তে উমলিবলৈকে বৰ ভাল পায় তাই।

ডাঠ হাবিখনৰ সিপাৰে নুমলীৰ অকলশৰীয়া বুঢ়ীমাকৰ টোকোৰা পঁজাটি, নিমাওমাওকৈ তাতে বুঢ়ী নৰীয়া পাটিত পৰি আছে। খৰাহি এটা কোঁচত গুজি দি মাকে নুমলীক ক'লে,— "বুঢ়ী আয়েৰ পৰি আছে। এয়া এফেৰা মাখন, চাইটা কণী আৰু অকণ মৌ দিছো, তয়ে দি আহগৈ। ঘৰত আৰু কেও নাই। চাবি, বাটত উমলি ৰাতি নকৰিবি। সাঁজ লগাতে হাবিত বনৰজা ওলায় একা!"

হাবিতলীয়া লুঙলুঙীয়া বাটটি। দুয়ো কাষে কতনো চৰায়ে উমলিছে, গীত জুৰিছে। সিহঁত আটায়ে যেন নুমলীক মাতিছে, 'আহ, ওমলোগৈ!' কেইপাহমান অতিকৈ ধুনীয়া বনৰীয়া ফুল বতাহত হালি-জালি থকা তাই মন কৰিলে। নিমিষতে মাকৰ হাক, বনৰজাৰ ভয় সকলো পাহৰিলে। খৰাহিটো মাটিত থৈ তাই ফুল ছিঙিবলৈ লাগিল। সেইদৰে থাকোঁতে তাতে সন্ধ্যা লাগিলহি। তাইৰ পেটত ভয় লাগিল। ছাঁটোকে বনৰজা যেন দেখিবলৈ ধৰিলে আৰু মাকৰ কথাষৈ মনত পৰিল। খৰাহিটো কাষত লৈ তাই কোবাকুবিকৈ বুঢ়ীমাকৰ ঘৰৰ ফালে যাবলৈ ধৰিলে।

'হওম্! হওম!!' হাবিৰ পৰা এটি বনৰজা ওলাই আহিল। তাক



'হওঁম! হওঁম্!!'

হাবিৰ পৰা এটি বনৰজা

ওলাই আহিল। তাক দেখি নুমলীৰ বুকু কঁপিল।

দেখি নুমলীৰ বুকু কঁপিল। তাই ভিৰাই ধৰি লৰ মাৰিব খোজোতেই বনৰজাই আগচি ধৰি ক'লে— 'নুমলী!' সেই বাটে আন মানুহৰ লগত বুঢ়ীমাকৰ ঘৰলৈ যোৱা সি নুমলীক আগেয়েও দেখিছে। 'ভয় খাইছা কেলেই, নুমলী? মই তোমাক একো নকৰো নহয়।' 'সচাঁকৈয়েনে?' নুমলীয়ে হেঁপাহকৈ সুধিলে। 'ওঁ, তোমাৰে শপত, ভনীটী। পিছে তুমিনো ক-ল-ই যোৱা?' বনৰজাই লেন লগাই মাতিলে। চল পাই নুমলীয়ে কলে— 'বুঢ়ী আইৰ ঘৰলৈ।'

বনৰজা ঃ— 'অ' নুমলী! অ' নুমলী!
খৰাহিত সেয়া কি?'
নুমলী ঃ— "বুঢ়ী আইলৈ পঠাইছে আয়ে
মাখন এফেৰা দি।"
বনৰজা ঃ—'অ' নুমলী! অ' নুমলী!
খৰাহিত সেয়া কি?'
নুমলী ঃ—'বুঢ়ী আইলৈ পঠাইছে আয়ে
কণী চাইটা দি।"
বনৰজা ঃ— 'অ' নুমলী! অ' নুমলী!
আৰু কি আনিছ ঔ!'
নুমলী ঃ— 'বুঢ়ী আইলৈ দিছে আয়ে
পঠাই অকণ মৌ।'

বনৰজাৰ জিভাৰ পানী পৰিল। সি সুধিলে— 'তোমাৰ বুঢ়ীমাৰৰ ঘৰনো কেনেকুৱা?'

নুমলীয়ে হাঁহি হাঁহি অঙ্গি-ভঙ্গি কৰি আঙুলিয়াই দেখুৱালে— 'সৌটি, সৌটি! হাতী দাঁতৰ ৰুৱা; ৰদ জিলিকে পুৱা।"

বনৰজাই 'বা-ৰু' বুলি শলাগি বেগাবেগিকৈ আন এটা বাটে গৈ নুমলীৰ বুঢ়ীমাকৰ ঘৰ ওলালগৈ। সি লাহে লাহে দুৱাৰত টুকুৰিয়াবলৈ ধৰিলে। নুমলীৰ বুঢ়ী মাকে পাটিত পৰি থাকি সুধিলে 'কোন সেয়া?'

বনৰজাই কলে— 'মই নুমলী।'

বুঢ়ী— 'ক'ৰ নুমলী?'

বনৰজা— তোমাৰ নাতিনীয়েৰা।

বুঢ়ী— 'কেলেই আহিছ?'

বনৰজা— 'তোমাৰ গা বেয়া বুলি শুনি আয়ে পঠিয়াইছে'।

বুঢ়ী— 'মোলৈ কি আনিছ?'

বনৰজা— 'কণী, মৌ আৰু মাখন।'

বুঢ়ী— 'ওঁ, দুৱাৰ মেলা আছে, সোমাই আহ।'

দুৱাৰ মেলি সোমাই গৈয়ে বনৰজাই "হওম্" বুলি বুঢ়ীক খাবলৈ মুখ মেলি খেদি গল।

বুঢ়ীয়ে ভয়তে একে লৰেই ৰান্ধনী ঘৰত দুৱাৰ দাং মাৰি সোমালগৈ।

বনৰজা নিৰাশ হৈ উলটি আহি মূৰে-গায়ে বুঢ়ীৰ ফটাকঠাখন লৈ পাটিত শুই পৰিল। এনেতে নুমলী আহি দুৱাৰত টুকুৰিয়ালে।

বনৰজা— "কোন সেয়া?"

নুমলী— 'মই নুমলী!'

বনৰজা— 'ক'ৰ নুমলী?'

নুমলী— 'তোমাৰ নাতিনীয়েৰা।'

বনৰজা— 'কেলেই আহিছ?'

নুমলী— 'তোমাৰ গা বেয়া বুলি শুনি আয়ে পঠাইছে।'

বনৰজা— 'মোলৈ কি আনিছ?'

নুমলী— 'মৌ, মাখন আৰু কণী।'

বনৰজা— "ওঁ, দুৱাৰ মেলা আছে, সোমাই আহ।"

নুমলী দুৱাৰ মেলি সোমাই গ'ল। বনৰজাক বুঢ়ী বুলি ভাবি তাই কলে— "বুঢ়ী আই, তোমাৰ চকু দুটা ইমান ডাঙৰ কিয়?"

বনৰজা— "তেহে তোক ভালকৈ দেখিম্।"

নুমলী— "তোমাৰ হাত দুখন ইমান দীঘল কিয়?"

বনৰজা— "তেহে তোক ধৰিব পাৰিম।"

নুমলী— "তোমাৰ দাঁতকেইটা ইমান ডাঙৰ কিয়?"

বনৰজা— "তেহে তোক কামুৰিব পাৰিম।"

এইবুলি বনৰজাই একে জাপে পাটিৰ পৰা নামি গৈ তাইক খাব খুজিলে।

নুমলীয়ে ভয়ত "খালে ঔ" বুলি চিঞৰ মাৰিলে আৰু তাৰ লগে লগে খৰাহীৰ পৰা কণী দুটা লৈ তাৰ দুইটা চকুলৈ মাৰি দিলে।

কণী দুটা ভাগি বনৰজাৰ চকু দুটা খন্তেকলৈ কণা হল। সি কাণি-মুনি খাই নুমলীক ধৰিব নোৱাৰিলে। ৰান্ধনী ঘৰৰ পৰা আইতাক ওলাই আহিল আৰু ওচৰ-চুবুৰীয়া মানুহবোৰ চাপি-কুচি হাতে হাতে টাঙোন টোকোন লৈ বনৰজাক মৰিয়াই মাৰি পেলালে। তাৰ পাছত নুমলীয়ে আটাইকে সকলো কথা কলে। বুঢ়ীমাকে ৰং পাই নুমলীক মৰম কৰিলে। জা-জলপান খাবলৈ দিলে আৰু তেওঁলৈ অনা মাখন আৰু মৌৰো অকণ অকণ দি মৰম কৰি পাছদিনা ঘৰলৈ পঠাই দিলে।

কলে মেলিলে থোৰ। আমাৰ কথাৰ পৰিল ওৰ।।
তামোলে মেলিলে ভাবি। কোন কলৈ যাবি।।
কঠালে পেলালে মুচি। যাওঁ ঘৰাঘৰি গুচি।। ○○

# নিজে খোজকঢ়া জোতা

গোলাই আছিল নামজ্বলা যাদুকৰ। তাৰ আপোন বুলিবলৈ সংসাৰত একেটি মাথোন পুতেক ভোলাই। গোলাই মৰিবৰ সময়ত পুতেক ভোলাইক মাতি আনি কলে— "বোপাই, মোৰ মৰণৰ সময় চাপি আহিছে। তোক দিবলৈ মোৰ আন একো সম্পত্তি নাই। এই জোতাযোৰ তোক দিছো। তই এই জোতাযোৰ পিন্ধি যলৈকে যাওঁ বোল, তলৈকে ই লৈ যাব।" এই বুলি কৈয়েই গোলায়ে শেষ উশাহ ললে। ভোলায়ে পিতাকৰ শৱটো নি খৰি দিলেগৈ। পিতাক মৰাৰ পাছৰপৰা এই বহল সংসাৰখনত সি একেবাৰে অকলশৰীয়া হল।

সেইদিনা তাৰ পোন্ধৰ বছৰীয়া জন্মতিথি। গধূলি সেইদিনা সি তাৰ নলে-গলে লগা বন্ধু নদাইক খাবলৈ মাতিছে। নদায়ে বাতৰি পঠিয়ালে— "মই ইমান দূৰ বাট খোজকাঢ়ি যাব নোৱাৰো। তোমাৰ জোতাযোৰ পঠাই দিবা। তেহে যাব পাৰিম।" নদাইৰ কথামতে ভোলায়ে নদাইৰ ঘৰলৈ জোতাযোৰ যাবলৈ দি, সি নিজে ৰন্ধা-বঢ়া কামত লাগিল। ভোলায়ে ভালকৈ ৰান্ধিব জানে। সি পোলাও, খিচিৰি, আলুগুটিৰ ডম্, মাছৰ টেঙা, আদখৰীয়া, খৰিকা দিয়া, অলপমান খাৰৰ আঞ্জা, বিধে বিধে বহালে আৰু সেইদৰে বাঢ়ি ভাগে ভাগে নমাই থৈ নদাইলৈ বাট চালে।

ৰাতি বহুত হ'ল, নদাই নাহিল। ইবাৰ এটা শব্দ শুনি নদাই আহিছে বুলি উঠি গৈ চায়, নদাই নাই। সিবাৰ দুৱাৰত খিৰিক্ কৰা শুনি উঠি গৈ চায়, নদাই নাই। বৈ বৈ তাৰ ৰান্ধনি ঘৰতে টোপনি আহিল, আৰু সি পিৰা এখন পাৰি তাতে শুলে। এনেতে এটা চোৰ আহিল, বিধে বিধে ৰন্ধা-বঢ়া বস্তুবোৰ দেখি তাৰ বৰ লোভ লাগিল। সি হাতত সাৰে ভৰিত সাৰে আহি পোলাও, খিচিৰি আদি সকলো বস্তু ভাগে ভাগে দাঙি লৈ তাৰ জোলোঙাত সুমুৱালে, আৰু ততালিকে পলাই পত্ৰং দিলে। অলপ পিছত ভোলাই সাৰ পাই উঠি মূৰে কপালে হাত দিলে। ইমানবোৰ বস্তু কি হল, কোনে নিলে বুলি সি দেও পাৰিবলৈ ধৰিলে। এবাৰ ভাবিলে, জানোচা নদায়ে আহি তাক

টোপনিয়াই থকা দেখি বন্ধা-বঢ়া বস্তুবোৰ লুকুৱাই থৈ তাৰ লগত ধেমালি কৰিছে। সি সেইদেখি তাতকৈ টেঙৰালি কৰি মাত লগালে— "সেইটি ঘৰৰ চুকত কোন? দেখিছোহে তেওঁ। আহাঁ নদাই, আঁহা, মোৰে চুপতি নামাৰিবা, বুইছা? তোমালৈ বুলি বাট চাওঁতেই মোৰ ইমান নিশা হ'ল আৰু বহি বহি টোপনি আহিল। বোলো ভালে ভালে ওলাই আহাঁ।" —কিন্তু শূন্য ঘৰ; তাৰ মাতৰ পাছত আৰু অধিক গহীন হ'ল। নদাই হলেহে সি ওলাই মাত দিব! বেচেৰা ভোলাই দুখে-ভাগৰে লাজে-বেজাৰে মৰা যেন হৈ আকৌ পিৰাখনতে ঘোৰমোকোতা মাৰি শুলে।

বাৰু, সঁচাকৈয়ে নদাইৰ কি হ'ল? সি কিয় নাহিল? জোতযোৰ ঠিক সময়ত গৈ নদাইৰ ঘৰ পালেগৈ আৰু সিও তাকে পিন্ধি ভোলাইৰ ঘৰলৈ বুলি আহি আছে। বাটত এখন নৈ পাৰ হ'ব লাগে। নদায়ে নৈখন পাৰ হ'ব খোজোতে হঠাৎ ভৰিৰ পৰা জোতাযোৰ পিছলি আগবাঢ়ি গ'ল। জোতাযোৰ পানীৰ ওপৰে গৈ ইপাৰ উঠিলেগৈ; নদাই সিপাৰতে থাকিল। সি লাজ পালে, আৰু ভাবিলে— "খোজ কাঢ়িনো কি যাম? ৰাতি হ'ল, ঘৰলৈকে উলটি যাওঁ।" নদাই উলটিল, কিন্তু জোতাযোৰ ভোলাইৰ ঘৰলৈ বুলি হাবিৰ মাজেদি আহিয়ে থাকিল।

কিনো ভাগ্যৰ ফেৰ! চোৰটোৱেও ভোলাইৰ ঘৰৰ পৰা বন্ধা-বঢ়া বস্তুবোৰ লৈ প্ৰাণ টাকি লৰি লৰি আহি হাবিৰ মাজত সেই বাটটোতে বহি পোলাও খিচিৰি আদি চাই হাঁহিছে, আৰু তাৰ মুখৰ পৰা লোভৰ পানী পৰিছে। তাৰ মনত ভাব হ'ল— "হাবিৰ মাজত নো ৰাতি এইবোৰ বস্তু খাই কি সুখ পাম? এতিয়া ঘৰত ভালকৈ লেপেতা কাঢ়ি বহি লবলৈ পাব লাগিছিল, তেহে! এহাতলৈকে চেলেকিলোহেঁতেন নহয়! তালৈকে এতিয়া লৰি লৰি হাত ভৰি ছিগি আহিছে, এখোজ লৰচৰ কৰিবলৈ গাত শক্তি নাই। এনে সময়ত যদি নিজে খোজ কঢ়া জোতা এযোৰ কেনেবাকৈ পালোহেঁতেন!" ঠিক সেই সময়ত ভোলাইৰ জোতাযোৰ নদাইক এৰি আহি ঘৰৰ ফালে খোজ লৈ সেইখিনি পাইছিলহি। টোপোলাত বন্ধা-বঢ়া বস্তুখিনি ভৰাই চোৰটো উঠি থিতাতে জোতাযোৰত তাৰ ভৰি সুমুৱালে, আৰু জোতাযোৰ তাৰ ভৰিত একেবাৰে কাপ খাই পৰিল।

কিন্তু কি আচৰিত। চোৰটো যেনি যাব সেইপিনে নগৈ



নদায়ে নৈখন পাৰ হব খোজোতে হঠাৎ
ভৰিৰ পৰা জোতাযোৰ পিছলি আগবাঢ়ি গ'ল।

জোতাযোৰে তাৰ বিপৰীত ফালে যাবলৈ ধৰিলে। সি পোনতে চিঞৰিব খুজিলে কিন্তু পিছ মুহূৰ্ত্তে সি নিজৰ কি সৰ্বনাশ কৰিব খুজিছে বুজি উঠিল! চোৰ বুলিলে ওৰ পৰে, গতিকে সি চিঞৰা মানে বলিশালৰ দাৰ আগত তাৰ টেটু পাতি দিয়া। সি তাৰ পাছত জোতাযোৰ জোকাৰ মাৰি বাওঁ হাতেৰে এৰুৱাবলৈ চালে, কিন্তু সাধ্য কি? জোতাযোৰ যে খণ্ডেকো নৰয়! গতিকে বলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰিবলৈ সি বাধ্য হল। জোতাযোৰে যেনিয়ে নিয়ে সি সেইপিনেই যাবলৈ ধৰিলে।

কিন্তু হৰি, হৰি! জোতাযোৰে চোৰটোক নি ভোলাইৰ ঘৰ পোৱালেগৈ। সি ভয়ত চিঞৰ মাৰি উঠিল! "কি হল!" বুলি ভোলায়ে টোপনিৰ পৰা চকমকখাই উঠি দেখে, তাৰ ৰন্ধা-বঢ়া বস্তুৰ টোপোলাটো হাতত লৈ ভৰিত ভোলাইৰ জোতাযোৰেৰে চোৰটো তাৰ আগত সশৰীৰেৰে বৰ্ত্তমান! কি কথা, কি বাৰ্ত্তা! ভোলায়ে ভাবি নৌ ওৰ পাওঁতেই, চোৰটো ভোলাইৰ ভৰিত দীঘল দি পৰিল আৰু সেই ৰন্ধা-বঢ়া বস্তুখিনি চুৰ কৰি নিয়াৰ বাবে ক্ষমা-প্ৰাৰ্থনা খুজিলে। ভোলায়ে তেতিয়াহে উৰহী গছৰ ওৰটো পালে, আৰু গহীনভাৱে চোৰটোক ক্ষমা কৰি এৰি দিলে। তাৰ জোতাযোৰ ঘৰত থাকিল, আৰু তাৰ দুটালৈ বুলি ৰন্ধা-বঢ়া বস্তুখিনি আকৌ অলপ তপতাই লৈ সি ভোকত এলাই-পেলাই অকলে খাবলৈ ধৰিলে। খাই থাকোঁতেই দুৰৰ পৰা ৰামপাৰই মতা শুনিলে— 'লঙ্কাপুৰ ক'ত? ক'ত?' ভোলায়ে চকু-মুখ মোহাৰি দেখে, বেৰৰ জলঙাই বেলিৰ পোহৰ তাৰ মজিয়াত পৰিছে। হওক তেওঁ, তাৰ পোন্ধৰ বছৰীয়া জন্মতিথিৰ নিমন্ত্ৰণ নদাইৰ হৈও সি নিজেই ভালকৈ ৰক্ষা কৰিলে! ○○

# চাহপানী খোৱা বাঘ

সি কোনোবা সত্য যুগৰ কথা। তেতিয়া গৰু-ছাগলী নালাগে গছ-গছনিয়েও কথা কব পাৰিছিল। কোন কালতে এঠাইত তিনিটি ছাগলী পোৱালী আছিল। তিনিওটি ঘাটমাউৰা, মাক-বাপেক কেও নাই। পোৱালীকেইটি এনে ধুনীয়া আৰু এনে বণ্ডিয়াল। তাৰে এটা বগা, এটি পখৰা আৰু এটি পহু বৰণীয়া। সিহঁত তিনটাৰ ভিতৰত বৰ মিল, ইটিক নেদেখিলে সিটিয়ে এখন্তেকো থাকিব নোৱাৰে।

লোকৰ পিৰালিয়ে চাঙতলে পৰি থাকি বেয়া লাগি সিহঁতৰ মন গল নিজা এটি ঘৰ সাজি লবলৈ। তিনিও নানা কথা পাতিলে, নানা উপায় আলচিলে, ক'তনো কেনেকৈ ঘৰ সাজিব, ক'ত বয়-বস্তু পাব! কেইবাদিনো নানা কথা পাতিলে, নানা কথা পাণ্ডিলে— নিজৰ বাৰীখন আছেনে তাৰ পৰা বেত-বাঁহ আনিব? নিজৰ নাওখন আছেনে চাপৰিলৈ গৈ খেৰ কাটি আনিব? নাইবা ধনৰ থুনুপাকটিয়েই ভৰি আছেনে ধনেৰে বস্তু কিনি মানুহ ধৰি কাম কৰাব?

পিছে ঘৰ সাজিবলৈ বা সংসাৰত কোনো কাম কৰিবলৈ বাৰীও নাথাকক, নাৱো নাথাকক, ধনো নাথাকক; বুধি থাকিলেই সকলো হয়। ছাগলী পোৱালীকেইটি আছিল বৰ বুধিয়ক। এদিন বগা পোৱালীটো আলিলৈ যাওঁতে এটা মানুহে গৰু-গাড়ীৰে এগাড়ী শৰণ খেৰ নিয়া দেখিলে। সি গাড়ীখনৰ আগলৈ গৈ মাত লগালে— "ককাই, মোক কেইডালমান খেৰ দিব পাৰিবানে?" "তোমাক আকৌ খেৰ কি কৰিবলৈ?" মানুহটোৱে আচৰিত হৈ সুধিলে। 'ঘৰ সাজিবলৈ, —বে-এ-এ' বুলি সি লেন লগাই কলে। মানুহটোৰ হাঁহি উঠিল, দুমুঠি খেৰ সি পেলাই দিলে। খেৰখিনি কান্ধতকৈ লৈ বগা পোৱালীটো ঘৰলৈ লৰ দিলে।

পখৰা পোৱালীটিয়েও এদিন বাটত এটা মানুহক দুটামান বজাল বাহঁ নিয়া দেখি কলে— 'ককাই, মোক বাহঁ এটা দিব পাৰানে?' "তোমাক আকৌ বাঁহ কেলেই?"—আচৰিত হৈ সি সুধিলে। "ঘৰ সাজিবলৈ, —হোঁ-ওঁ-ওঁ"! মানুহটোৱে হাঁহি সামৰিব নোৱাৰিলে। সি বাহঁ এটা ছাগলী পোৱালীটোৰ কান্ধত তুলি দিলে। পখৰায়ো তাকে লৈ ঘৰ ওলালহি।

পহু-বৰণীয়া পোৱালীটো এদিন ৰাটেদি কেনিবা যাওঁতে দেখিলে এটা মানুহে বহুত বেত লৈ গৈছে। সি মানুহটোৰ কাষ চাপি গৈ কলে, "ককাই, মোক একাপমান বেত দিব পাৰিবানে?" তাক পেংলাই কৰা বুলি ভাবি খঙেৰে মানুহটোৱে কলে, 'বেতেৰে কি কৰিবি?' পোৱালীটোৱে ক'লে— "আমি এটা ঘৰ সাজিব খুজিছো, —বে-এ-এ!" মানুহটোৰ এইবাৰ হাঁহিত পেটু-নাড়ী ছিগিল! ছাগলী পোৱালীয়ে আকৌ ঘৰ সাজে! তথাপি সি মৰমতে পহুবৰণীয়াৰ পিঠিত একাপ বেত দিলে। পোৱালীটোৱে বেত কাপ লৈ ইকেইটা পোৱালীৰ ওচৰ পালেগৈ। এতিয়া অলপ যত্নতে সিহঁতৰ ভিতৰত আটাইখিনি বস্তু যোগাৰ হল।

এতিয়া সিহঁতে আকৌ কেইবাদিনো আলচ কৰিলে— ঘৰটোনো কোনখিনিত সাজিব। ঠাই ঠিক হল এটি সৰু টিলাৰ ওপৰত। পাৰৰ টঙিৰ দৰে দুমহলীয়া ধুনীয়া সৰু ঘৰটি সজা হলত তিনিও তাত সুখেৰে থাকিবলৈ ললে। ওচৰৰ ঘাঁহনিত দিনটো পেট ভৰাই চৰি গধূলি ঘৰলৈ আহি শোৱে। এইদৰেই সিহঁতৰ ৰঙেৰে দিন যাবলৈ ধৰিলে।

পিছে, "আলচা কথা নহয় সিধি। বাটত আছে কণা বিধি।" সিহঁতৰ দিন সদায় এইদৰে যাবলৈ নাপালে। সিহঁতৰ ঘৰ সজা টিলাটো আছিল এখন হাবিৰ ওচৰত। সেই হাবিত এটি লুভীয়া ঢেকীয়াপটীয়া বনৰজা পোৱালী আছিল। কোমল মঙহৰ এই ছাগলী পোৱালীকেইটিক দেখি তাৰ কেতিয়াবাৰ পৰাই জিভাৰ পৰা লোভৰ পানী পৰিছিল। এতিয়া কিদৰেনো সি ছাগলী পোৱালী তিনটিক দিহা লগাব, তাৰ বাবে নানা ধৰণৰ বুদ্ধি সাজিবলৈ ধৰিলে। কিন্তু সকলো পানীৰ ওটেঙা! সাজে আৰু ভাগি যায়।

এদিন গধূলি বনৰজা পোৱালীটি আহি সিহঁতৰ ঘৰৰ তলৰ মহলাত উপস্থিত হ'ল। "অ' পোৱালী, পোৱালী! পোৱালী ঘৰত আছনে?" বেৰৰ জলঙাই জুমি চাই পোৱালী কেইটাৰ চুলিৰ আগে জীৰ গ'ল! সিহঁতে ভয়তে চেপেটা মাৰিলে। "অ' পোৱালী, পোৱালী, ওলাই আহচোন।" "কেলেই?"— ভিতৰৰ পৰা কঁপা মাতেৰে সিহঁতে সুধিলে। "ওচৰচুবুৰীয়া, মাত লগাবলৈ আহিছোঁ।" "দিনত নাহা কেলেই?" "আহৰি নাপাওঁ।" সিহঁতে ভালকৈ দুৱাৰ দাং মাৰি সোমাই থাকিল। কোনেও নমতা দেখি বনৰজাই আকৌ কলে—

"পোৱালী, ওলাই আহচোন, কথা এটা কওঁ। নহলে তহঁতৰ ঘৰটো ফুৰাই ফুৰাই উৰাই দিম, সঁচাকৈয়ে কৈছোঁ।" সিহঁত তেতিয়াও তলকা মাৰি থাকিল।

বনৰজা পোৱালীয়ে সঁচাকৈয়ে ঘৰটো ফুৰাবলৈ ধৰিলে। ইমান গাৰ বলেৰে ফুৰালে যে সিহঁতৰ ঘৰটো ঘট্‌ঘট্ কৰে লৰিবলৈ ধৰিলে। বগা পোৱালীটোৱে বেৰৰ ওপৰেদি বাঘটোক জুমি চাই আছিল। আৰু এইবাৰ জোকাৰত সি থলপ কৰে সৰি মাটিত পৰিল। বনৰজাটিয়ে লাহেকৈ কামোৰ মাৰি পোৱালীটো ধৰি লৈ আকৌ হাবিত সোমাল।

কেইদিন মানৰ পিছত এদিন গধূলি বাঘটো আকৌ আহিল— "পোৱালী, পোৱালী, অ' পোৱালী। পোৱালী আছনে?" আকৌ— সেই আগৰ দৰে মাতিলে। পখৰা আৰু পছবৰণীয়াৰ গাৰ কঁপনি উঠিল "—কে-লে-ই?" "বৰ ডাঙৰ কথা এটা আছে, নামি আহচোন।" "এতিয়া ওলাই যাব নোৱাৰোঁ, দিনত আহিবি।" "দিনত আজৰি নাই।" "তেনে কি কব লগা আছে তাৰ পৰাই কোৱা।" আন উপায় নেদেখি বাঘে ক'লে— "কাইলৈ গধূলি সাত বজাত সৌ মুকলি পথাৰতে এখন ডাঙৰ সভা বহিব, তালৈকে মই তোক মোৰ লগত লৈ যাম; তই ওলাই থাকিবি।"

পোৱালীহঁতে কথাটো তৎক্ষণাত বুজি পালে। তথাপি 'বাৰু' বুলি শলাগি থলে।

পিছদিনা দিনতে পখৰা আৰু পছবৰণীয়া দুয়ো ঘৰ এৰি মনে মনে অইন ঠাইলৈ গুচি গল। বাঘটো ছাগলি পোৱালীকেইটা নোযোৱা দেখি সি সিহঁতৰ ঘৰলৈকে আহিল আৰু "পোৱালী, পোৱালী, অ' পোৱালী, পোৱালী ঘৰত আছনে?" বুলি বহুত পৰ মাতিলে। তথাপি তাৰ কোনো মাত নুশুনিলে, আৰু ভিতৰত থকাৰো কোনো গম নাপালে। তেতিয়া সি ভাবিলে— পোৱালীহঁত কিজানি তাতোকৈ আগেয়ে কৰবালৈ পলাই গল। যিহওক সিহঁত ঘূৰি আহিলে জাপ মাৰি ধৰিবলৈ বুলি সি বহুত পৰলৈকে জোপ লৈ আছিল। ছাগলী পোৱালীকেইটাও আছিল অতি টেঙৰ। সিহঁতেও বাঘটো নাযায় মানে ঘৰলৈ উলটি নাহিল। বাঘটোৰ বৈ বৈ আমনি লাগিল আৰু সি লাহে লাহে এখোজ দুখোজকৈ পিছলৈ ঘূৰি ঘূৰি চাই যাবলৈ ধৰিলে। ইফালে ছাগলী পোৱালী কেইটায়ো বাঘটো গৈছে বুলি ভাবি লাহেকৈ দুৱাৰখন মেলি সোমাব খুজিছে, এনেতেই বাঘটো ঘূৰি লৰ মাৰি



পহুবৰণীয়া পোৱালীটো সোমাবলৈ নৌ পাওঁতেই বনৰজাই তাৰ ডিঙিটোত কামোৰ মাৰি ধৰি হাবিলৈ টানি নিলে।

আহিল। পখৰা পোৱালীটো কথমপি ভিতৰ সোমাল, কিন্তু পছৱৰণীয়া পোৱালীটো সোমাবলৈ নৌ পাওঁতেই বনৰজাই তাৰ ডিঙিটোতে কামোৰ মাৰি ধৰি হাবিলৈ টানি নিলে।

এতিয়া বাকী ৰল তিনটাৰ ভিতৰত পখৰা পোৱালীটো। বনৰজাৰ চকুত টোপনি নাই, তাক কেনেকৈ গতি লগায়। সি নানা বিধ বুধি পাঙিলে, কিন্তু "আলচা কথা নহয় সিধি, বাটত আছে কণা বিধি।" লগৰ দুটাক খোৱা দেখি পখৰা বৰ টেঙৰ হল। গতিকে বনৰজাই যি বুধিকে সাজক পখৰাই ততালিকে তাক ধৰা পেলায়।

এদিন পখৰাই ভোকত তৎ নাপাই তাৰ দুমহলা ঘৰৰ পৰা জখলাৰে নামি চৰিবলৈ গ'ল। সি জখলাটো তুলি থবলৈ পাহৰি গল। সি ঘূৰি আহি দেখে বনৰজাটো তাৰ ঘৰত সোমাই আছে। পখৰা ভয়ত বিবুদ্ধি নহল। সি লৰমাৰি গৈ জখলা মাটিত পেলাই দিলে আৰু বনৰজাক কলে— "ককাই, তুমি কেতিয়া আহিলা? বাৰু, তুমি আমাৰ ঘৰতে অলপ শোৱা; মই তোমালৈ চাহপানী এটোপাকে তপতাওঁ।" এই বুলি পখৰাই বৰ ডাঙৰ টৌ এটাতে এটৌ পানী দিলে আৰু ওচৰৰ খৰি-খেৰ দমাই লৈ একুৰা প্ৰকাণ্ড জুই ধৰিলে। জুই দপ দপকৰে জ্বলি ওপৰ চাল পালেগৈ আৰু পানী টৌ বক্‌বক্‌কৈ উতলিবলৈ ধৰিলে।

পখৰাৰ বঙলাৰ ওপৰ মহলাত বনৰজাই ছটফট্ ধৰফৰ কৰি খঙত গুজৰিবলৈ ধৰিলে। শেষত ওপৰ মহলাত জুই লাগি বনৰজা থলপ কৰে চাঙৰ পৰা সৰি পানী টৌৰ ভিতৰত পৰি এটৌ হলহি আৰু পখৰাই লৰালৰিকৈ সাফৰখন মাৰি ধৰিলে। উতলা পানীত চাহপাত সিজাৰ দৰে চাহপানী খাবলগা বনৰজা নিজেই ভালকৈ সিজিলে; আৰু পখৰাই সেই দিনাই সেই ঠাই এৰি আন ঠাইত ঘৰ ললেগৈ। ○○

# জন্ম-তিথি

ধুনীয়া বাবৰি চুলি আৰু মাখনসুপি যেন মণ্ডহাল গাটিৰে থোলোকা লৰাটি। নাম তাৰ অৰুণ। সি দোকমোকালিতে উঠিছে। সেই দিনা তাৰ সাত বছৰীয়া জন্মতিথি। এটা পুৰণিকলীয়া কাৰেং। তাত সি থাকে। লগত এহাল বুঢ়া-বুঢ়ী। বুঢ়ীয়ে তাক সেইদিনা এগচ সোণৰ হাৰ দিছে, তাৰ গাৰ বৰণৰ লগত মিলি যোৱা ধুনীয়া লৰাটিৰ কাৰণে ধুনীয়া হাৰগচি। পিছে হলে হব কি? তাৰ যে সমনীয়া কেওঁ নাই! সি কাৰে উমলিব? তাৰ চাৰিওফালে অলৰ বুঢ়া সংসাৰখন। বুঢ়া-বুঢ়ী এহাল। জনমত সিহঁতে হাঁহিৰ নামে মুখখনকে বিদৰোৱা সি দেখা নাই। সদায় সিহঁতৰ গোমোথা মুখ। ঘৰৰ কুকুৰটো বুঢ়া, মেকুৰীজনী বুঢ়ী, আৰু সেই কৌটিকলীয়া বুঢ়া অট্টালিকাটো ডাঙৰ মৰা হাতী এটাৰ জকা এটাৰ দৰে পৰি আছে।

হাজাৰো হওক, সেইদিনা তাৰ বৰ হেঁপাহৰ সাত বছৰীয়া জন্মতিথি। বুঢ়ীয়ে দিয়া হাৰডাল পিন্ধি সি ওচৰৰ বিলখনৰ কাষলৈ গল, মনটো ভাল লগাবলৈ বুলি। কিন্তু কি হব? সেই বিলখনো বুঢ়া। তাতে বুঢ়া গছ এজোপা পৰি আছে। সি আমন-জিমনকৈ তাৰ ওপৰতে বহিল। লগ নাই, সঙ্গ নাই, উমলিবলৈ সমনীয়া নাই! হাবিৰ মাজেদি এটা সুৰুঙালি যেন বাট। এই বাটটোনো বাৰু কলৈ গৈছে? এই পিনে গলে তাৰ সমনীয়া কৰবাত ওলাবনে? কোনে কব? এটি সৰু ধুনীয়া বালিমাহী চৰাই আহি তাৰ ওচৰত নাচি-বাগি ফুৰিছে। অৰুণৰ বেয়া লাগিল। তাক মনৰ দুখেৰে ক'লে, "তই যে মোৰ আগত এইদৰে নাচি-বাগি আছ, তই মোৰ লগত কথা পাতিব পাৰ?" "ওঁ, পাৰোতো। নোৱাৰো কেলেই?" "পাৰ যদিনো ইমান দিন কথা পতা নাই কিয়?" 'তুমি জানো পাতিছা?' অৰুণে অলপ থমকি ৰৈ কলে— "বাৰু, তই মোক কচোন হাবিতলীয়া এই সুৰুঙা বাটটো কলৈ গৈছে? এই পিনে গলে মোৰ লগৰীয়া কাৰবাক পামনে?" বালিমাহীটিয়ে কলে— "পাবা। কিন্তু সাহ লাগিব।" "কি সাহ?" "বৰ ভয় লগা টান কাম কৰিবলৈ আগবঢ়াকে সাহ বোলে। পাৰিবা?" অৰুণে অলপ ভাবি-চিন্তি চাই কলে, 'পাৰিম'। "তেনেহলে তুমি মোৰ পিছে পিছে আহাঁ।"

এনেতে বুঢ়া-বুঢ়ী হাল ওলালহি। অৰুণে বুঢ়ীক কলে—



বুঢ়াগছ এজোপা পৰি আছে। সি আমন-জিমনকৈ তাৰ ওপৰতে বহিল।

"হাবিতলীয়া এই সুৰুঙা বাটটোৰেদি কলৈ যাব পাৰি?" বালিমাহীটিয়ে খং কৰি কলে, "থোৱা, বেগাই আহাঁ।" অৰুণে লাজ পাই আকৌ তাৰ পিছে পিছে গল। অলপ দুৰ গৈ বালিমাহীটিয়ে কলে— "তোমাক কৈছো নহয়, বুঢ়া-বুঢ়ীক কোনো কথা নুসুধিবা। যদি তোমাক তোমাৰ সমনীয়া লাগে মোৰ কথা শুনা আৰু সেইমতে কাম কৰা।" "কি কাম?"— অৰুণে সুধিলে। "যেতিয়া সৌ ক'লা ডাবৰছটাই জোনটো ঢাকি পেলাব আৰু সকলো মানুহ শুই নিহপালি দিব, তেতিয়া তুমি ইয়ালৈ আহিব পাৰিবা?" 'পাৰিম।' "কিন্তু সাৱধান, টোপনি নাযাবা। বুঢ়া-বুঢ়ীয়ে তোমাক শোৱা চাবলৈ গলে তুমি টোপনিৰ ভাও জুৰিবা। যোৱা এতিয়া।" আশাভৰা হিয়াৰে অৰুণ ঘৰলৈ গুচি আহিল।

ৰাতি বুঢ়া-বুঢ়ীয়ে সজমতে অৰুণক শোৱা এবাৰ চাই গলহি। অৰুণে টোপনি ভাও জোৰোতেই সেইপিনে তাৰ চিলমিলকৈ টোপনি আহিল। সি সমাজিক দেখিলে যেন সেই হাবিতলীয়া বাটটোৰেদি গৈ এটা নতুন উজ্জ্বল কাৰেং পালেগৈ। তাত সকলোৰেই তৰুণ, সকলোটি ৰাংঢালি। তাৰ ডেকা ৰজা আৰু গাভৰু ৰাণীয়ে তাক হাঁহিমুখে আদৰি নিছেহি। তাৰ সমনীয়া লৰা-ছোৱালী জাকে তাক উলাহৰ কিৰিলিৰে সম্ভাষণ জনাইছে। আৰু তাৰ চিনাকি যেন সৰু মৰমিয়াল ছোৱালী এজনীয়ে তাক মৰম কৰিছে! —এনেতে সেই বালিমাহী চৰাইটি আহি অৰুণৰ চুলি কেডাল আলফুলকৈ জোকাৰি তাক জগাই দিলে ঃ —"ছিঃ। কি কৰিছা? ডাবৰৰ মাজৰ পৰা জোন ওলাবই এতিয়া। সকলো নষ্ট হব। বেগাই উঠি আহাঁ। মোৰ পিছে পিছে আহাঁ।"

'আৰু এটি কথা,' এটি মুহূৰ্তও নকটোৱাকৈ অৰুণ বালিমাহীটিৰ পিছে পিছে সেই বিলৰ পাৰ পালেহি। বালিমাহীটিয়ে কলে— "আৰু সৰহ সময় নাই। এই হাবিতলীয়া সুৰুঙা বাটেদি কলৈ যায় আৰু তোমাৰ ওমলাৰ লগৰীয়া ক'ত পায়, এই কথা জানিবলৈ হলে তুমি এই বৰ গছ জোপা যে দেখিছা, তাত যে কিছুমান লতা বগাইছে, সেই লতাবোৰতে ধৰি ওপৰলৈ বগাই উঠি যোৱা। উঠি গৈ এই বৰ গছজোপাৰ একেবাৰে আগত এটা ফেঁচা পাবা। তাক তোমাৰ এই সোণৰ হাৰগচ উপহাৰ দিবা আৰু সিয়ে তোমাক তাৰ উপায় দিব। খৰ কৰা।" অৰুণে লতা বোৰেদি বগাই গৈ গৈ বৰ গছ জোপালৈ উঠি গছজোপাৰ আগতে ফেঁচাটো লগ পালে। সি তাৰ সোণৰ হাৰডাল

ফেঁচাটোক পিন্ধাই দিলে। ফেঁচাটোৱে ৰঙতে কেবাপাকো নাচিলে। অৰুণে তাক তাৰ প্ৰশ্ন সুধিলে। ফেঁচাটোৱে অৰুণৰ হাতত এটা সঁচাৰ কাঠি গুজি দি ক'লে— "এই গছজোপাৰ তলতে এটা শহা পহ আছে। সিয়েই তোমাক বাট দেখুৱাই দিব। তুমি সেই বাটে গৈ এটা আনন্দময় অট্টালিকা পাবা, এইটো তাৰে সচাৰকাঠি।

ফেঁচাটোৰ কথামতে হাতত সঁচাৰ কাঠিটি লৈ অৰুণ শহাটোৰ ওচৰ চাপিল। শহাটোৱে ক'লে— "তুমি এই বাটেই গৈ থাকাঁ, গৈ থাকাঁ। বাটত কিন্তু বহুত ভয়-লগা জন্তুৱে খেদি আহিব। সেই বোৰলৈ কেৰেপ নকৰি গৈ থাকিবা, কেতিয়াও উলটি নাচাবা। গৈ গৈ এটা অতি ধুনীয়া অট্টালিকা পাবা। ডাৱৰৰ মাজৰ পৰা জোনে নৌ মুখ উলিয়াওতেই তুমি কাৰেঙৰ দুৱাৰখন মেলিবা। তেতিয়াই তুমি তোমালৈ বাট চাই থকা বহুত লগৰীয়া লগ পাবা। সাৱধান, খৰ কৰা।"

পিছলৈ নাচাই অৰুণ গৈ আছে। সেই বুঢ়া-বুঢ়ী আৰু সেই ঘৰৰ বুঢ়া কুকুৰটো আৰু বুঢ়ী কুকুৰজনীয়ে তাৰ পিছে পিছে অহা সি গম পাইছে; কিন্তু সি প্ৰাণ টাকি লৰিছে। আৰু ডাৱৰৰ আঁৰৰ পৰা জোন ওলোৱাৰ আগতে সি সেই উজ্জ্বল অট্টালিকাৰ দুৱাৰত সচাৰ কাঠি লগালে। "সুন্দৰ!" সেই ধুনীয়া কাৰেঙৰ পোহৰে যেন তাৰ চকু চাট মাৰি ধৰিলে। সি সমাজিকত দেখা সেই বিতোপন অট্টালিকা! সেই ডেকা ৰজা আৰু সেই গাভৰু ৰাণী, সেই সৰু সৰু লৰা-ছোৱালীৰ জাক, পোৱালী কুকুৰ-মেকুৰী সকলো সি দেখা পালে। সেই চিনাকি চিনাকি যেন লগা সৰু ছোৱালীজনীয়ে হাঁহি হাঁহি অৰুণক সাবটি ধৰিলে। "তুমি কোন?"— অৰুণে সুধিলে। 'কিয় তুমি আনবোৰক জানো চিনি পাইছা?' "ওঁহো"—অৰুণে লাজত মূৰ খজুৱালে। 'বাৰু, তেন্তে কওঁ শুনা। কোনোবা বেয়া অপ্সৰীৰ শাওপাতত আমাৰ ৰাজকাৰেং, আই-বোপাই সকলো বুঢ়া হৈ আছিল। কিন্তু আন এগৰাকী ভাল অপ্সৰীয়ে আশীৰ্বাদ দিছিল, তোমাৰ সাত বছৰীয়া জন্মতিথিৰ দিনা তুমি যদি অদ্ভুত সাহসেৰে সচাৰ কাঠি বিচাৰি আজি কাৰেঙৰ দুৱাৰ মুকলি কৰিব পাৰা, তেনেহলে সেই শাওপাত যাব। এতিয়া তোমাৰ সাহৰ কাৰণেই আমি সেই শাওপাতৰ পৰা ৰক্ষা পৰিলো। এয়া আমাৰ পিতৃ-মাতৃ, বুঢ়া-বুঢ়ী হৈ আছিল। এয়া মই; মোৰ নাম কিৰণ, তোমাৰ ভনীয়েৰ। ময়ে সেই সৰু বালিমাহীটি হৈ তোমাক এই কামলৈ উদগাই দিলো। ○○

# এধানমান কুজাটি

তাহানিৰ মহা টাৰ্টাৰীৰ কাছগড় নগৰত এজন দৰ্জ্জী তেওঁৰ ঘৈণীয়েকৰ সৈতে বাস কৰিছিল। এদিন সন্ধিয়া সময়ত দৰ্জ্জীজনে দোকানত কাম কৰি আছে, এনেতে কৰবাৰ পৰা এধানমান কুজা মানুহ এটা ধেমেলীয়া গীত গাই গাই সেই দোকানখন সোমালহি। দৰ্জ্জীজনে তাক পাই বৰ ভাল পালে আৰু তাক নি ঘৈণীয়েকক দেখুৱাবলৈ বুলি দোকানখন জপাই সেই এধানমান কুজা মানুহটো লগত লৈ ঘৰলৈ বুলি খোজ ললে।

ঘৰ পাই দেখে যে তেওঁৰ ঘৈণীয়েকে গধূলি আহাৰৰ বাবে সকলো ঠিক কৰি মজিয়াত সুন্দৰকৈ সজাই থৈছে। তেতিয়া তিনিওজন খাবলৈ বহিল। দুৰ্ভাগ্যক্ৰমে ভাত খাই থাকোতে হঠাতে মাছৰ কাঁইট এটা এধানমানি কুজা মানুহটোৰ ডিঙিত লাগি ধৰিল। সি নিজে আৰু দৰ্জ্জীয়েও ঘৈণীয়েকৰ সৈতে বহুত যত্ন কৰিও সেই মাছৰ কাঁইটটো এৰুৱাব নোৱাৰিলে। অলপ পাছতে তেওঁলোক দুয়োৰো আগতে এধানমানি কুজাই চিৰকাললৈ চকু মুদিলে। তেওঁলোক দুয়ো সেই ঘটনাত বৰ ভয় খালে, জানোচা আন মানুহে ভাবিব বোলে তেওঁলোকেই তাক মাৰিলে। সেই কু-নামৰ হাত সাৰিবলৈ দৰ্জ্জী আৰু তেওঁৰ ঘৈণীয়েকে এটা উপায় উলিয়ালে।

দৰ্জ্জীজনৰ ঘৰৰ ওচৰতে এজন ইহুদী বেজ আছিল। দৰ্জ্জীজন আৰু ঘৈণীয়েক সেই মৰা শৰটো এজনে ভৰিত আৰু আনজনে মূৰত ধৰি দাঙি নি ইহুদী বেজৰ ঘৰ পোৱালেগৈ। শৰটো লৈ খটখটিয়েদি দৰ্জ্জী আৰু ঘৈণীয়েক ওপৰলৈ উঠি দুৱাৰত টুকুৰিয়ালেগৈ। খটখটিয়েদি গোটেই বাটটো বৰ আন্ধাৰ। অলপ পৰৰ পাছতে এজনী লিগিৰী ওলাই আহিল; তায়ো হাতত চাকি এটা অনা নাই। দৰ্জ্জীয়ে তাইৰ হাতত অলপ ধন গুজি দি কলে— "তুমি বেজবৰুৱাক কোৱাগৈ বোলে আমি এজন নৰিয়া মানুহ আনিছো আৰু এয়া আগধন অলপ দিছো।" লিগিৰীজনী হাতত ধন লৈ ভিতৰলৈ গল। সেই ছেগতে শৰটো বেজবৰুৱাৰ দুৱাৰ মুখতে এৰি ঘৈণীয়েকৰ সৈতে দৰ্জ্জীজন কোবা-কুবিকৈ খটখটিয়েদি নামি ঘৰলৈ উলটিল।

ইফালে লিগিৰীজনী গৈ বেজবৰুৱাক সকলোবোৰ কথা কলে



দুৰ্ভাগ্যক্ৰমে ভাত খাই থাকোঁতে হঠাতে মাছৰ কাঁইট
এটা এধানমানি কুজা মানুহটোৰ ডিঙিত লাগি ধৰিল।

আৰু ধনখিনি গুজি দিলে। ধনখিনি পাই বেজবৰুৱাই বৰ ৰং পালে। আন্ধাৰত বাট দেখুবাবলৈ বুলি লিগিৰীজনীক এটা চাকি আনিবলৈ কলে। কিন্তু ধন পাই ৰঙত তৎ নোহোৱা হৈ তেওঁ তাইলৈ বাট নাচাই আগধৰি আহিল আৰু আন্ধাৰে-মোধাৰে আহি কিবা এটাত উজুটি খালে। কিহতনো উজুটি মাৰিলে বুলি লৰালৰিকৈ লিগিৰীজনীক মাতি আনিলত চাকিৰ পোহৰত দুৱাৰ মুখত একো দেখা নাপালে। নামি আহি খটখটিৰ তলত দেখে এধানমান মানুহৰ শৱ এটা তলত পৰি আছে। বেজবৰুৱাৰ চুলিৰ লাগে জীৱ গল। লাভৰ মূৰত বেমাৰী চাবলৈ আহি তেওঁ এটা মানুহ গুৰিয়াই মাৰিলে। তেতিয়া বেজবৰুৱাই লিগিৰীজনীক পাৰেমানে গালি-শপনি পাৰিলে, আৰু তায়েই মানুহটো মাৰিলে বুলি কলে। বেজবৰুৱাই নিজ দোষত মানুহ মাৰি ঘুৰাই তাইক বদনামৰ ভাগী কৰিব খুজিছে বুলি তায়ো চিঞৰ-বাখৰ লগাব খুজিলে। সেই সময়তে বাটেদি কোনোবা মানুহ যোৱা যেন দেখি দুয়ো মনে মনে থাকিল আৰু দুৱাৰখন মাৰি ভিতৰ সোমাল। বেজবৰুৱাই গুৰিয়াই মানুহ মৰা কথা কোৱাত ঘৈণীয়েক মূৰ্চ্ছা যোৱাৰ দৰে হল। কিন্তু চাপৰিলে মেঘ নেৰায়। গতিকে বেজবৰুৱাই ঘৈণীয়েকৰ সৈতে বিপদৰ হাত সাৰিবৰ উপায় চিন্তিবলৈ ধৰিলে।

বেজবৰুৱাৰ ঘৰৰ গাত-গা লগা-লগিকৈ এঘৰ মুছলমান আছিল। তেওঁৰ কাম আছিল ছুলতানৰ বাবে, তেল, ঘিউ, মাখন আৰু আন আন খোৱা বস্তুৰ যোগান ধৰা। তেওঁৰ ভৰাল ঘৰটো আছিল থকা ঘৰৰ লগালগি। গতিকে বহুত এন্দুৰ আৰু নিগনিয়ে তেওঁৰ ঘৰত নিজানে নিজানে নিজ ৰাজ্য পাতিছিল। বেজবৰুৱানীৰ দিহা মতে বেজবৰুৱাই শেষত সেই এধানমান কুজা মানুহটোৰ শৱটো নি মুছলমান জনৰ ঘৰটোৰ বেৰত ঠিয়কৈ থৈ আহিবলৈ ঠিক কৰিলে। তেওঁলোকে সেই শৱটো এনেভাৱে ঠিয়কৈ থৈ আহিছিল যে আঁতৰৰ পৰা বেৰত আঁউজি থকা এটা জীয়া মানুহ যেন দেখি। অলপ পাছতে মুছলমান যোগনিয়াৰজনে হাতত এটা চাকি লৈ কাৰবাৰ ঘৰৰ ভোজ এটাৰ পৰা ঘৰলৈ আহিছে। তেওঁ সেইদৰে এটা মানুহ আঁউজি থকা দেখি সেইটো চোৰ বুলি ভাবি নিজে নিজে কলে— "অ'! এৰেঁই সদায় আহি মোৰ ইয়াৰ এই মাখন-ঘিউ আদি উদং কৰেহি। মই আকৌ নিগনিয়ে খায় বুলিহে ভাবিছিলো। বাৰু! ৰবা; এসেকা পাবা এতিয়া। তুমি মোক আৰু দেখা নিদিবা।" এই বুলি কৈয়েই তেওঁ

পোনচাটেই হাত কোঁচাই লৈ এধানমান কুজাক ওপৰাউপৰিকৈ দুটামান খকৰা-মুকুটি মাৰিলে আৰু এধানমান কুজাৰ শৰটো তেতিয়াই তলমুখ কৰি মাটিত পৰিল। সেইদৰে বাগৰি পৰা দেখি যোগনিয়াৰজনে দুগুণ খঙেৰে গুৰিয়াবলৈ আৰু চৰিয়াবলৈ ধৰিলে। খঙ জামৰিলত তেওঁ ভাবিবলৈ ধৰিলে কিয় সিমান মাৰ-কিল খায়ো চোৰটোৱে মুখেৰে একো মতা নাই। অলপ বৈ লিৰিকি-বিদাৰি চাই তেওঁ দেখে যে চোৰটোৱে সমুলি কাতি-কুতাও কৰা নাই। নিশ্চয় তেওঁৰ গোৰ-চৰতে মানুহটো মৰিল বুলি তেওঁ ঠিৰাং কৰিবলৈ বাধ্য হল, আৰু বেচেৰাই বৰ ভয় খালে। "আহ! মই কি গৰ্হিত কাম কৰিলো! হায়, হায়! কি বিপদ চপাই ললো। এতিয়া নগৰৰ আৰক্ষকবিলাক আহি মোক ধৰি নিব।"

তাৰ পাছত লৰালৰিকৈ তেওঁ সেই মৰা শৰটো কান্ধত লৈ কোঠাটোৰ পৰা বাহিৰলৈ ওলাই আহিল আৰু আলিবাটৰ এখন দোকানত আকৌ আওজাই থৈ কোনেও নেদেখাকৈ ঘৰলৈ বেগাই গুচি আহিল।

ইফালে দোকমোকালিতে এজন খৃষ্টান সাউদ সেইপিনে গা-ধোৱা ঘাটলৈ যাওক। কিবা কাৰণত তেওঁ সাপৰ নেগুৰ ছিগা বেগেৰে এনেকৈ খোজ দিছিল যে মন নকৰাকৈ হঠাৎ এধানমান কুজাৰ শৰটোৰ আগত থিয় হলহি। সাউদজনে হঠাৎ সেইটো ডকাইত বুলি ভাবি তৎক্ষণাত তাক আক্ৰমণ কৰিলে আৰু ওপৰা-উপৰিকৈ কেইবাটাও খকৰা-মুকুটি মাৰি শেষত 'ডকাইত, ডকাইত!' বুলি চিঞৰিবলৈ ধৰিলে।

এইদৰে চিঞৰ-বাখৰ কৰা শুনি চাৰিও ফালৰ মানুহ আৰু আৰক্ষকসকল চাপি-কুচি আহিল। তৎক্ষণাত ঘটনাটোৱে বেলেগ গঢ় ললে আৰু মানুহবোৰে চিঞৰ-বাখৰ লগালে বোলে এজন খৃষ্টানে এধানমান কুজা মুছলমান এটিক মাৰি মাৰি আধামৰা কৰিছে। মানুহবিলাকে চিঞৰি চিঞৰি ক'লে— "হেৰা, তুমি কি কৰিছা? বেচেৰা এধানমান কুজা মুছলমানটোক কিয় আধা মৰা কৰিলা?" সাউদজনে ক'লে— "ই মোক ডকাইতি কৰিব খুজিছিল। আৰু মই তাক আক্ৰমণ নকৰা হলে সি মোক পিছ ফালৰপৰা ডিঙিত টিপা দিলেহেঁতেন।" তেতিয়া মানুহৰ ভিৰ ঠেলি আহি আৰক্ষকাধীক্ষকে দেখে যে মানুহটো আধা মৰা কিয়, একেবাৰে মৰিল! তৎক্ষণাত

নৰহত্যা অপৰাধত সাউদজনক ধৰি-বান্ধি বিচাৰকৰ ওচৰলৈ লৈ গ'ল। বিচাৰকে তেওঁক সাম্প্ৰতিকভাবে কাৰাগাৰত থবলৈ আদেশ দিলে।

তাৰ পাছত বিচাৰকজনে আৰক্ষৰকৰ পৰা ঘটনাৰ সকলো বিৱৰণ শুনিলে। তেওঁ তেতিয়ালৈকে সাউদ জনৰ প্ৰাণদণ্ডৰ আদেশ দিয়া নাছিল। বিষয়ৰ গুৰুত্ব বুজি বিচাৰকে সেই কথা ছুলতানক জনালে। ছুলতানে গোটেই ঘটনাটো শুনি কলে— "যোৱা, তোমাৰ বিচাৰ মতে আৱশ্যকীয় কৰ্ত্তব্য কৰাগৈ।" বিচাৰকজন গৈ সাউদজনক প্ৰাণদণ্ড দিবলৈ ঠিক কৰি গোটেই ৰাজ্যতে ঢোল পিটি শুনাই দিলে বোলে এজন মুছলমান মানুহক হত্যা কৰা অপৰাধত এজন খৃষ্টানক ৰাজহুৱাভাৱে ফাঁচি দিয়া হব।

তাৰ পাছত সাউদজনক বন্দীশালৰ পৰা উলিয়াই ফাঁচিশাললৈ নিয়া হল। সেই ঠাই লোকেৰে লোকাৰণ্য। খৃষ্টান সাউদজনৰ ডিঙিত ডোল লগাইছে মাত্ৰ, এনেতে সেই মুছলমান যোগনিয়াৰজনে মানুহৰ ভিৰ ঠেলি আহি বিচাৰকৰ ওচৰ চাপি কলে— "ধৰ্ম্মাৱতাৰ, ৰ'ব ৰ'ব। লৰালৰি নকৰিব! ভুল নকৰিব!! খৃষ্টান সাউদজনে মানুহটো মৰা নাই। মইহে মাৰিছিলোঁ।" তেতিয়া সকলো মানুহ আচৰিত হল। মুছলমান যোগনিয়াৰজনে কেনেকৈ শৱটো আনি সেই দোকানখনৰ বেৰতে জীয়া মানুহ যেন দেখাকৈ ঠিয়কৈ আওজাই থৈছিল সকলো কথা কলে আৰু তেওঁৰ অপৰাধৰ বাবে এনেকৈ এজন নিৰ্দোষী খৃষ্টান সাউদৰ প্ৰাণদণ্ড হ'ব লগা বাবে তেওঁ ঘোৰ অনুতাপ কৰি নিজে সেই ফাঁচি কাঠত উঠিবলৈ গ'ল।

তেতিয়া বিচাৰকে খৃষ্টান সাউদজনক ফাঁচি-কাঠৰ পৰা নমাই মুছলমান যোগনিয়াৰজনক তাত তুলি দিলে। মুছলমান যোগনিয়াৰজনৰ ডিঙিত ডোল লগাইছেহে মাত্ৰ, এনেতে ঈহুদী বেজবৰুৱাজন বিচাৰকৰ আগলৈ আহি কলে— "ধৰ্ম্মৱতাৰ! ৰ'ব, ৰ'ব! অন্যায় নকৰিব। সেই মুছলমান যোগনিয়াৰজনে এধানমান কুজাক মৰা নাই। মইহে তাক হত্যা কৰি তেওঁৰ ঘৰৰ খুটাত আওজাই থৈ আহিছিলো। তাৰ বাবে মোৰেহে প্ৰাণদণ্ড হ'ব লাগে।" তেতিয়া সকলো মানুহ আচৰিত হৈ ঈহুদী বেজবৰুৱাজনৰ বিবৃতি শুনিলে। মুছলমান যোগনিয়াৰজনক ফাঁচি-কাঠৰ পৰা নমাই সেই ঈহুদী বেজবৰুৱা-জনক ফাঁচি-কাঠত তুলিবলৈ আদেশ দিবলৈ বিচাৰকজন বাধ্য হ'ল। ঈহুদী বেজবৰুৱাজনৰ ডিঙিত ডোল লগাবলৈ ধৰোতেই

আগৰ দৰেই জনতাৰ ভিৰ ঠেলি সেই মুছলমান দৰ্জ্জীজনে "ৰ'ব ৰ'ব!" বুলি চিঞৰি চিঞৰি বিচাৰকৰ কাষ চাপি আহি কলে— "ধৰ্ম্মাৱতাৰ' আপুনি অনাহকত এই নির্দোষ ইহুদী বেজবৰুৱাজনক প্ৰাণদণ্ড দিব খুজিছিল। এই এধানমান কুজাৰ ঘাই হত্যাকাৰী মইহে।" সকলোৱে আচৰিত হৈ তেওঁৰ বিবৃতি শুনিলে। বিস্মিত জনতাই আচৰিতৰ ওপৰতে আচৰিত হৈ চতুৰ্থ কাহিনী শুনিলে। বিচাৰকো অতি আচৰিত হৈ চতুৰ্থবাৰত এই দৰ্জ্জীজনক ফাঁচি-কাঠত তুলিবলৈ আদেশ দিলে। ইফালে এই সকলো অদ্ভুত কাহিনী গৈ ছুলতানৰ কাণত পৰিল। ফাঁচি-কাঠত তুলি দৰ্জ্জীজনৰ ডিঙিত ডোল লগাই ওলমাব খুজিছে, এনেতে দূৰৰ পৰা চিঞৰি চিঞৰি আহি ছুলতানৰ এজন বিষয়াই কলে— "ৰবা, ৰবা, দৰ্জ্জীজনৰ ডিঙিত ডোল নলগাবা। ছুলতানে আদেশ দিছে যে শৱটো আৰু বিচাৰকজনে সৈতে চাৰিওজন অপৰাধী ছুলতানৰ আগলৈ নিব লাগে।" এইবাৰ বিচাৰকৰ সৈতে সকলো মানুহৰ বুকু কঁপিবলৈ ধৰিলে আৰু সকলো গৈ ছুলতানক সেৱা জনালে। ছুলতানে অপৰাধীকেইজনক এজন এজনকৈ তেওঁৰ আগত ঠিয় কৰালে আৰু শেষত সেই শৱটো চাব খুজিলে। শৱটো আগলৈ অনাত ৰজা বিচূৰ্ত্তি হল যে তেওঁৰ ঘৰৰ পৰা এদিনৰ আগতে হঠাৎ অন্তৰ্দ্ধান হোৱা তেওঁৰ আদৰৰ সেই এধানমান কুজাৰেই এইটো মৰা শৱ! ঘটনাৰ অদ্যোপান্ত শুনি আচৰিত হৈ ছুলতানে নিজে কলে— "পৃথিৱীত এনে আচৰিত ঘটনা কোনোবাই কৰবাত দেখিছানে?"

এনেতে মানুহৰ ভিৰ ঠেলি এজন বুঢ়া মানুহ ছুলতানৰ আগলৈ আহি তেওঁক প্ৰণাম জনালে। মানুহজনক আটায়ে চিনি পায়, "বাগদাদৰ বোবা নাপিত" বুলি তেওঁ সদৌৰে ওচৰত জনাজাত। তেওঁৰ বয়স প্ৰায় চাৰি কুৰি দহ বছৰ। গোটেই ডাড়ি-চুলি পকা। তেওঁ এধানমান কুজাৰ শৱটোৰ ওচৰলৈ গৈ হঠাতে মাটিত বহিল আৰু তেওঁৰ আঠু দুটাৰ মাজত কুজা মানুহটোৰ মূৰটো সুমুৱাই বৰ মনযোগেৰে চাবলৈ ধৰিলে। অলপ পৰৰ পাছতে সি এনে অদ্ভুতভাৱে হাঁহিবলৈ ধৰিলে যে কাছগড়ৰ খোদ ছুলতান আগত থকা কথাও সি পাহৰি পেলালে। সকলো মানুহ আকৌ আচৰিত হল। ছুলতানে নিজে সুধিলে— "বোবা নাপিত, এনে দুখ লগা ঘটনাত আমি সকলো মৰ্ম্মাহত হৈছো। তুমি কিয় ইমানকৈ হাঁহিছা, মোক কোৱা।" ইমান

কালৰ মূৰত বোবাৰ মুখত মাত ওলাল— "মহাৰাজ! মই ঈশ্বৰৰ ওচৰত শপত খাই কৈছো, এধানমান কুজা কেতিয়াও মৰা নাই। ইয়াৰ এতিয়াও জীৱ আছে।" ছুলতানকে আদি কৰি কোনেও তাৰ কথাত বিশ্বাস নকৰিলে। তথাপি ছুলতানে কলে বোলে যদি তেওঁৰ মৰমৰ এই এধানমান কুজাক কোনোবাই কেনেবাকৈ জীয়াই দিব পাৰে, তেওঁ তাক এহেজাৰ সোণৰ মোহৰ বঁটা দিব। বোবা নাপিতে এইবাৰ একো নামাতি তেওঁৰ হাতৰ মোনাৰ পৰা অলপ ঔষধ উলিয়াই লৈ এধানমান কুজাৰ ডিঙিত ঘঁহি দিলে। তেতিয়াই এধানমান কুজাই খক্ খক্ কৰিবলৈ ধৰিলে। তাৰ পাছত বোবা নাপিতে তেওঁৰ হাতৰ চেপেনা এডালেৰে লাহেকৈ তাৰ ডিঙিৰ পৰা কাঁইটটো উলিয়াই আনিলে। তৎক্ষণাতে কুজা মানুহটোৱে হাঁচিয়াই দিলে আৰু চকু মেলিলে। সকলো মানুহ স্তম্ভিত হল। ছুলতানে তেওঁৰ মৰমৰ ধেমেলীয়া মানুহটো এইদৰে চাৰিটা মানুহে হত্যা কৰাৰ পাছতো আকৌ জীয়া দেখি বৰ ৰং পালে আৰু আটাইকেইজন দোষীক মুক্তি দিলে। ছুলতানে ৰংমনে সেই বাগদাদৰ বোবা নাপিতক এহেজাৰ সোণৰ মোহৰ বঁটা দি এধানমান কুজাৰ ধেমেলীয়া গীত শুনি মহাসুখত কাল কটাবলৈ ধৰিলে। ○○

# এদিনীয়া ৰজা

তেতিয়া হাৰুণ-আল্ ৰছিদৰ ৰাজত্ব কাল। সেই সময়ত বাগদাদ্ চহৰত আছিল এজন বৰ ধনী সদাগৰ। তেওঁৰ একেটি মাত্র পুতেক— আবু হাছান।

আবু হাছানে ডেৰ কুৰি বছৰ বয়সত ভৰি দিওঁতেই তেওঁৰ পিতাকে অজস্র ধন-সম্পত্তি এৰি থৈ শেষ নিশাহ পেলালে। তেতিয়াৰে পৰা এই সম্পত্তিৰ গৰাকী হয় তেওঁৰ একেটি পুতেক আবু হাছান। কিন্তু পিতাকে জীৱিত কালত তেওঁৰ পুতেকক আৱশ্যকীয় ব্যয়ৰ বাহিৰে এটি পইছাও সৰহকৈ নিদিছিল। সেইবাবে তেওঁ এই সম্পত্তিবিলাক পাই অবাবতে ব্যয় কৰিবলৈ ধৰিলে। আবু হাছানে সদায় গধূলি তেওঁৰ লগৰ কিছুমান ডেকাক ভোজ-ভাত খাবলৈ নিমন্ত্রণ কৰি অবাবতে সেই সম্পত্তি দুদিনতে শেষ কৰিলে। যেতিয়াই সেই সম্পত্তি নোহোৱা হল আৰু আবু হাছানে বন্ধুসকলক আগৰ দৰে ভোজ-ভাত খুৱাব নোৱৰা হল, তেতিয়াৰে পৰা তেওঁৰ বন্ধুসকলে আবু হাছানক দেখিলেও নামাতি অচিনাকি মানুহৰ দৰে গুচি যায়। আৰু তেওঁৰ এই বিপদতো ৰক্ষা কৰিবলৈ কোনো নাহিল। তেতিয়াহে আবু হাছানে বুজি উঠিল যে বিপদৰ বন্ধুহে প্রকৃত বন্ধু। তেতিয়া তেওঁ খঙত একো নাই হৈ তেনে বন্ধুৰ লগ কেতিয়াও নলবলৈ শপত খালে। তাৰ লগে লগেই তেওঁ ঠিক কৰিলে যে তেনে বন্ধু মতাতকৈ সদায় সন্ধিয়া বেলিকা এজন অচিনাকিক তেওঁৰ লগত খাবলৈ মাতি আনিব আৰু সূৰ্য্য দেৱতাই পোহৰ দিয়াৰ লগে লগেই তেওঁক পঠাই দিব আৰু পিছ দিনাৰ বাবে আন এজন আলহী মাতি আনিব।

ইয়াকে মনতে পাঙি আবু হাছানে সদায় সেৱা শুশ্রষাৰ যোগাৰ কৰি দিনমণিয়ে মেলানি মগাৰ লগে লগেই বাগদাদৰ দলংখনৰ ওপৰতে বহি থাকে আৰু কোনো অচিনাকি লোক দেখিলে সেই ৰাতিটোৰ বাবে তেওঁৰ পজাত আলহী হবৰ বাবে অনুৰোধ জনাই আহে।

এদিন সেইদৰে সন্ধ্যা দেৱীৰ আগমনিৰ অলপ আগতে আবু হাছানে সেই দলঙতে বহি তেওঁৰ আলহীৰ বাবে বাট চাই আছে। এনেতে হাৰুণ-আল-ৰছিদ সেইখিনিতে উপস্থিত হলগৈ। যদিও ৰাজ্যৰ



বাগদাদৰ দলংখনৰ ওপৰতে বহি থাকে

অভাৱ-অভিযোগবিলাকত চকু দিবলৈ এই জনা ৰজাৰ অনেক বিষয়া আছিল। তথাপি প্ৰজা বিলাকে কেনেবাকৈ কষ্ট পায় বুলি তেখেতে প্ৰত্যেক মাহৰে প্ৰথম দিনত ছদ্ম বেশেৰে গোটেই ৰাজ্যত ফুৰিছিল। সেইদিনা তেওঁ ছদ্ম বেশ ধৰিছিল মছুলৰ এজন সদাগৰৰ আৰু যেন তেওঁ সেই সময়ত দলঙৰ ওচৰ পাইছেহি মাত্ৰ। তেওঁৰ লগত আছিল এটা লগুৱা।

আবু হাছানেও তেওঁক মছুলৰ পৰা অহা এজন সাউদ বুলি বিশ্বাস কৰি তেওঁক নমস্কাৰ কৰিলে আৰু ৰাতিটোৰ বাবে তেওঁক তেওঁৰ ঘৰত আলহী হবলৈ অনুৰোধ জনালে। ছদ্মবেশী সাউদেও তাত কি ৰহস্য আছে তাক জানিবৰ বাবে আলহী হবলৈ মান্তি হল।

আবু হাছানে জনাই নাই যে তেওঁ যাক সাধাৰণভাৱে ব্যৱহাৰ কৰিছে, তেখেত হৈছে সেই দেশৰ অধীশ্বৰ। যেতিয়া খোৱা-লোৱা শেষ হল, তেতিয়া আবু হাছানে আলহীক সকলো কথা বহলাই ক'লে কেনেকৈ সদায় একোজন অচিনাকিক মাতি তেওঁ খুৱাব লগা হল।

এইদৰে তেওঁলোকে কথা-বাৰ্তা হোৱাৰ পাছত ৰজাই ক'লে— "তোমাৰ কথা-বাৰ্তা, সেৱা-শুশ্ৰূষাত মই বৰ সুখী হৈছোঁ। তোমাৰ কিবা উপকাৰ কৰিবলৈ মই সাজু আছোঁ। কিবা অভাৱ বা আকাঙ্ক্ষা আছে যদি কোৱা।"

তেতিয়া আবু হাছানে ক'লে— "মোৰ তেনে কোনো অভাৱ বা আকাঙ্ক্ষা নাই। মাত্ৰ মোৰ ঘৰৰ ওচৰতে থকা ইমামে মোক বৰ কষ্ট দিয়ে আৰু ওচৰৰ মানুহবিলাককো বৰ দুখ দিয়ে। যদি মই কেনেবাকৈ এদিনৰ কাৰণে হলেও ৰজা হওঁ, তেন্তে সকলো ঠিক কৰিম।"

ৰজাই মনতে হাঁহি ক'লে— "তেতিয়া তুমি কি কৰিবা বাৰু?" হাছানে ক'লে— "মই এনে এটা দিহা কৰিম যাতে সকলো মানুহৰে উপকাৰ হয়।"

ৰজাই হাছানৰ কথাখিনি শুনি বৰ আনন্দ পালে আৰু তাৰ বাবে এটা দিহা কৰিবলৈ মনতে ঠিক কৰিলে।

এইদৰে কথা-বাৰ্তা পাতি যেতিয়া শুবৰ সময় হল তেতিয়া আবু হাছানে এগিলাছ পানী খাবলৈ থৈছিল। ৰজাই তাতে বুদ্ধি কৰি লালকাল টোপনি অহা ঔষধ এটা মিহলাই দিলে। হাছানে সেই পানী গিলাছ খায়েই নিদ্ৰা দেৱীৰ কোলাত অচেতন হৈ পৰিল। তেতিয়া

ৰজাই আবু হাছানক নি ৰাজ-কাৰেঙত থবলৈ আৰু কোনডোখৰ ঠাইৰ পৰা নিছে তাক মনত ৰাখিবলৈ তেওঁৰ লগুৱাটোক কলে। লগুৱাটোৱেও ৰজাই কোৱা মতে কৰিলে আৰু ৰজাও তাৰ পাছে পাছে গল। লগুৱাটোৱে নি আবু হাছানক ৰাজশয্যাত শুৱাই দিলে। ৰজাই গৈ সকলোকে আদেশ দিলে বোলে তেওঁক যেনেকৈ আনকালে মান-সৎকাৰ কৰে, সেই আবু হাছানকো পিছদিনা সেইদৰে মান-সৎকাৰ কৰিব। ৰজাই সেইদৰে আদেশ দি নিজে ওচৰৰ কোঠাটোত লুকাই ৰহস্যটো চাবলৈ বুলি ৰল।

সকলো মানুহে ৰজাৰ আদেশ মতে আবু হাছানক পাছ দিনাৰ পৰা ৰজাৰ দৰে মান-সৎকাৰ আৰু ব্যৱহাৰ কৰিবলৈ সাজু হল। আবু হাছানে পিছদিনা সাৰ পোৱা মাত্ৰে সকলোবোৰ দাস-দাসী তেওঁৰ ওচৰলৈ আগবাঢ়ি অহা দেখি তেওঁ সেইবিলাক সপোন নে দিঠক ঠিক কৰিব নোৱাৰা হল। বহুত পৰৰ পাছত তেওঁক সকলোৱে সেইবিলাক সপোন নহয় বুলি বিশ্বাস জন্মালে আৰু পাছত ৰাজ-সাজ পিন্ধাই ৰাজ-সভালৈ লৈ গল। তাত বহুত আমোদ-প্ৰমোদ উপভোগ কৰিলে।

তাৰ পাছত কেইজনমান বিষয়াক আদেশ দিলে— "তোমালোক এই বাটটোৰেদি গৈ থাকাঁ, তাতে এটা মছজিদ পাবা। তাতে এজন ইমাম আৰু চাৰিজন বুঢ়া ডঢ়ীয়া মানুহ আছে। সেই বুঢ়া চাৰিজনক প্ৰত্যেককে ভৰিত পাঁচ কুৰিকৈ বেত দিয়াগৈ আৰু ইমামজনক চাৰিশ কোব দিবা। তাৰ পাছত তেওঁলোক পাঁচজনক বান্ধি প্ৰত্যেক ঘৰৰ আগেদি লৈ ফুৰিবা। তেতিয়া সকলো মানুহে বুজি উঠিব তেনে অত্যাচাৰী মানুহৰ কেনে শাস্তি হয়।"

বিষয়া কেইজনেও ৰাজ আদেশ পালন কৰিবলৈ গল। তাৰ পাছত আবু হাছানে ধন-ভৰালীক আদেশ কৰিলে এহেজাৰ সোণৰ মোহৰ নি সেই নগৰৰে আবু হাছানৰ মাকক দি আহিবলৈ; আৰু কলে সেই আবু হাছান বোলা মানুহজনক সকলোৱে চিনি পায়, তেওঁৰ কথা সুধিলে যেয়ে সেয়ে কৈ দিব পাৰিব। বেগাই গৈ বেগাই ঘূৰি আহিবলৈ তেওঁ সিহঁতক আদেশ দিলে। প্ৰণাম জনাই ৰজাৰ ওচৰৰ পৰা সিহঁতে বিদায় ললে। ইফালে মাকে সিমান টকা ৰজাই তেওঁক উপহাৰ দিয়া বুলি জানি আচৰিত হল।

হাছানক ৰাজ-সভাৰ পৰা উঠি এযোৰ সোণ-ৰূপ খটোৱা খৰম পিন্ধিবলৈ দিলে। কিন্তু বেচেৰা আবু হাছানে কেতিয়াও সেইবিলাক

দেখাই নাই, পিন্ধিব কেনেকৈ। সেই বাবে পিন্ধোতে হঠাতে পৰিব খুজিছিল। তেতিয়া বিষয়াবোৰে মনে মনে হাঁহিবলৈ ধৰিলে আৰু পিন্ধিবলৈ দেখুৱাই দিলে।

সেইদৰে আবু হাছানে সেইদিনা বহুত আনন্দ উপভোগ কৰিলে। শেষত যেতিয়া গধূলি হল তেতিয়া ৰজাৰ আদেশ মতে আবু হাছানক এগিলাছ পানী দিয়া হল আৰু তাতে লালকাল হৈ টোপনি অহা অলপ ঔষধ মিলাই দিলে। পানী গিলাছ খোৱা মাত্ৰকে তেওঁ অচেতন হৈ পৰিল। তেতিয়া ৰজাই তেওঁ লুকাই থকা কোঠাটোৰ পৰা ওলাই আহিল আৰু হাছানক ৰজাৰ সাজপাৰ সলাই, আগৰ কাপোৰ পিন্ধাবলৈ কলে। সাজ সলোৱা হলত নি নিজ ঘৰৰ বিছনাত শুৱাবলৈ আদেশ দিলে আৰু সেইদৰে লগুৱাটোৱে নি থৈ আহিলগৈ।

তেতিয়া ৰজাই ইবিলাক মানুহক কলে— "আবু হাছানে এদিনৰ বাবে ৰজা হৈ ইমামক শাস্তি দিব খুজিছিল। মই তেওঁক তাৰ সুযোগ দিলো। এতিয়া তেওঁ অৱশ্যে সন্তুষ্ট হব পায়।"

পিছদিনা পুৱা নিজ ঘৰত সাৰ পাই হাছানে তেওঁৰ দাস-দাসী বিলাকক চিএঞৰি চিএঞৰি মাতিবলৈ ধৰিলে। তেওঁ সেইদৰে চিএঞৰি থকা দেখি ওচৰৰ কোঠাটোত শুই থকা তেওঁৰ আয়েক শেষত ওলাই আহিল আৰু সুধিলে— "মোৰ পোনা! তুমি কিয় এনেদৰে চিএঞৰিছা? কি হল?" তেতিয়া হাছানে আয়েকলৈ চাই কলে— "তুমি ক'ৰ তিৰুতা, ইয়ালৈ আহি যে পুতেৰাক মাতিছা?" মাকে ক'লে— "মই তোমাকে মাতিছোঁ, তুমি মোৰ পোনা আবু হাছান নোহোৱা নে? এইটো বৰ আচৰিত কথা যে তুমি মোক চিনি পোৱা নাই!" হাছানে ক'লে— "কি মই তোমাৰ পুতেৰা! ই কেতিয়াও হব নোৱাৰে। তুমি মিছা মাতিছা। মই এজন অধীশ্বৰ।" মাকে বাধা দি কলে— "মোৰ সোণ, তুমি এনে কথা নকবা। আন মানুহে শুনিলে তোমাক পগলা বুলি ধৰি নিব।" হাছানে কলে— "মই কেতিয়াও পগলা হোৱা নাই। তোমাৰ হে অলপ মগজৰ দোষ হৈছে। মই এজন ডাঙৰ ৰজা।" মাকে কলে— "মোৰ পোনা! তুমি এনেকৈ নকবা। মই বুজিছো তোমাক ভূতে পালে। তুমি মোৰ পো আবু হাছান আৰু মই তোমাৰ আয়েৰা।"

তাৰ পাছত বহুত সময় ৰৈ আবু হাছানে মাত লগালে— "আই, তুমি সঁচা কৈছা। মই এতিয়া বুজিছোঁ মই আবু হাছান আৰু

তুমি মোৰ আই।" তেতিয়া মাকে ভাবিলে যে পুতেকে কিবা সপোন দেখিছিল আৰু এতিয়া ভাল হৈছে। কিন্তু অলপ পাছতে আবু হাছান উঠি আকৌ চিঞৰি কলে— "মই তোমাৰ পুতেৰ কেতিয়াও নহয় আৰু তুমি মোৰ আই নোহোৱা। তৎক্ষণাত ইয়াৰ পৰা আঁতৰ হোৱা। মই এজন ডাঙৰ ৰজা।"

তেতিয়া মাকে কবলৈ ধৰিলে কেনেকৈ ৰজাই তেওঁলৈ এহেজাৰ সোণৰ মোহৰ পঠাই দিছিল আৰু কেনেকৈ ৰজাৰ আদেশ মতে সেই মানুহ কেইজনক কোবাইছিল, তেতিয়া আবু হাছানে কলে— মই যে এজন ৰজা হয় তাত কোনো সন্দেহ নাই। কাৰণ এই সকলোবোৰ ময়েই দিছিলো।"

বেচেৰী মাকে হাছানক নানান ধৰণে বুজালে। কিন্তু একোতেই তেওঁ বুজনি নামানিলে, শেষত গালি পাৰি মাকক মাৰিবলৈ আহিল। মাকে নিৰুপায় হৈ চিঞৰিবলৈ ধৰিলে। চিঞৰ-বাখৰ শুনি ওচৰ-চুবুৰীয়াবিলাক লৰি আহিল আৰু তেনে কাম কৰাৰ বাবে হাছানক তিৰস্কাৰ কৰি কলে— "আবু হাছান, তুমি কি কৰিছা? লাজ নালাগেনে? তোমাক আয়েৰাই ইমান ভাল পায় আৰু মৰম কৰে!"

তেতিয়া হাছানে তেওঁলোককো বহুত বেয়া কথা কৈ খেদাই দিলে। সকলোৰে ভাবিলে নিশ্চয় আবু হাছানৰ মগজৰ দোষ হৈছে।

অলপ পাছতে মানুহবিলাকে গৈ আৰক্ষকত (পুলিছত) বাতৰি দিয়াত কিছুমান আৰক্ষক আহি আবু হাছানক মৰিয়াই মৰিয়াই পগলা-শালত সুমুৱাই থৈ আহিল। তাত সি বলেৰে এৰাই আহিব খোজাত - ৰীয়াবোৰে তাক মাৰিবলৈ ধৰিলে। শেষত তাত ৰাখিব নোৱাৰি, লোহাৰ বেৰাত ৰাখিবলৈ ললে।

মাকে দিনৌ তালৈ গৈ পুতেকক চাই আহেগৈ। লাহে লাহে হাছানৰ আগৰ ভ্ৰমবিলাক আঁতৰিবলৈ ধৰিলে আৰু মাক আৰু ওচৰ-চুবুৰীয়াক বেয়া ব্যৱহাৰ কৰা বাবে সি মাকক এদিন ক্ষমা-পাৰ্থনা কৰিলে আৰু সেই আলহীজনে দুৱাৰখন মেলি থৈ যোৱাৰ বাবে এনে হল বুলি কলে।

মাকে গৈ তাৰ ৰখীয়াক হাছানৰ কথা কোৱাত তাক মুকলি কৰি দিলে। তেওঁ ঘৰলৈ আহি আকৌ আগৰ দৰে থাকিবলৈ ধৰিলে। কিন্তু গধূলি তাৰ অকলে খাবলৈ বেয়া লগা হল।

এদিন গধূলি আগৰ দৰে দলংখনতে বহি আছে এজন অচিনাকি

আলহীৰ বাবে। এনেতে তেওঁৰ চকুত পৰিল মছুলৰ পৰা অহা সেই সাউদজন। তেওঁ ভাবিছিল সেই সাউদজনকেই সকলোখিনি দুখ কষ্টৰ মূল বুলি। ছদ্মবেশী ৰজায়ো তাক চিনি পালে।

তেতিয়া ৰজাই তেওঁক আকৌ ৰাতিটোৰ বাবে হাছানৰ ঘৰত খাবলৈ মাতিবলৈ কলে। হাছানে কিন্তু মাতিবলৈ মান্তি নহল আৰু তেওঁৰ গাত আৰক্ষকে কোবোৱা চিনবিলাক দেখুৱালে।

ৰজাই বহুত কথা কৈ হাছানক ফুচুলালে আৰু নানা বুজনি দিলে। শেষত হাছানৰ ঘৰলৈ বুলি দুয়ো খোজ ললে। তেওঁলোকে ঘৰ পায়গৈ মানে সন্ধিয়া লাগিল আৰু আহাৰ খাবৰ সময় হল। দুয়ো খাই-লৈ উঠি বহুত কথা-বতৰা হল। তাৰ পাছত হাছানে খাবলৈ লোৱা পানী গিলাছত ৰজাই আগৰ দৰে মনে মনে ঔষধ মিহলাই দিলে আৰু সেয়া খায়েই হাছান টোপনিত অচেতন হৈ পৰিল। ৰজাই লগুৱাটোক আদেশ দিলে— হাছানক ৰাজকাৰেঙলৈ নিবলৈ আৰু নিজে দুৱাৰখন আগৰ দৰে জপাই গুচি গ'ল।

লগুৱাটোৱে হাছানক নি ৰজাৰ কাপোৰ পিন্ধাই ৰাজ-শয্যাত শুৱাই দিলে। পিছদিনা সাৰ পাই হাছানে আকৌ সেই জাকজমকীয়া দৃশ্য দেখি আচৰিত হল। ৰজাই আগৰ দৰে ওচৰৰ কোঠাটোৰ পৰা সকলো কথা কাম মনে মনে চাই আছে। হাছানে নিজে কবলৈ ধৰিলে— 'মই সেই এমাহৰ আগতে দেখা সপোনটোকে আকৌ দেখিছো।'

এইদৰে হাছানে বহুতপৰ সেইটো সপোন নে দিঠক ঠিক কৰিব পৰা নাই। এবাৰ ভাবিছে সপোন, আকৌ ভাবিছে দিঠকহে। ওচৰতে থকা এজন বিষয়াক হাছানে মাতিলে আৰু কলে— "হেৰা! এইপিনে আহাঁচোন। মোৰ এই কাণখন কামোৰ মাৰি দিয়া। এইবোৰ সপোন নে দিঠক মই ঠিক কৰো। বিষয়াজনে বৰ টানকৈ কামুৰি দিলে আৰু হাছানে দুখ পাই এটা আচৰিত ধৰণৰ চিঞৰ মাৰিলে।

সেই চিঞৰটো মৰা মাত্রে সকলোবোৰ বাদ্য-যন্ত্র বাজি উঠিল আৰু নাচনীবিলাকে নাচিবলৈ ধৰিলে। হাছানেও সিহঁতৰ লগতে গান গাবলৈ ধৰিলে আৰু লগে লগে ৰাজ-সাজ সোলোকাই পেলালে। শেষত মূৰৰ পৰা টুপীটো সোলোকাই থৈ চকিৰ পৰা জাপ মাৰি গৈ আনবিলাক মানুহৰ লগত নাচিবলৈ ধৰিলে।

ৰজাই ইমান সময় মনে মনে ভিতৰৰ পৰা সকলো চাই আছিল।

শেষত এই দৃশ্য দেখি তেওঁ আৰু থাকিব নোৱাৰা হল। ওলাই আহি হাঁহি হাঁহি কলে— "আবু হাছান! আবু হাছান!! তুমি মোক এইদৰে হাঁহি হাঁহি মৰিবলৈ দিব খুজিছানে?"

ৰজাৰ মাতটো শুনি সকলোবোৰ বাদ্য-যন্ত্ৰ আৰু নাচ লাহে লাহে নোহোৱা হল। যি ফালৰ পৰা মাতটো আহিছিল হাছানে সেইফালে চাই দেখিলে সেইজন ৰজা আৰু একেজনেই মছুলৰ পৰা অহা সাউদজন! ৰজাই সকলো কথা ভাঙি-পাতি কলে। তেতিয়া হাছানে গোটেই ঘটনাটো ভালদৰে বুজিলে।

অলপ পাছতে ৰজাই হাছানক ভাল কাপোৰ-কানি পিন্ধিবলৈ দিলে আৰু কলে— "তুমি মোৰ ভাই! তোমাক মই কি সহায় কৰিব পাৰিম কোৱা, হাছান।" হাছানে কলে— "মোক আৰু নো কি লাগিছে? মই গোটেই জীৱন আপোনাৰ গুণ আৰু স্নেহৰ কথাকে সুঁৱৰি থাকিম।"

হাছানৰ এই শেষৰ কথাৰ প্ৰমাণ পাই ৰজাই বৰ আনন্দত কলে— 'হাছান, তোমাৰ কথা-বাৰ্তাবোৰ মোৰ বৰ ভাল লাগিল। মই তোমাক মোৰ কাষেঁওৰ এটা কোঠা দি দিছোঁ। তুমি তাতে সদায় থাকিবা। কিছুদিনৰ পাছত ৰাণী জুবেদাৰ লগতো হাছানক চিনাকি কৰি দিলে। ৰাণীয়ে হাছানৰ কথা-বাৰ্তাত বৰ ভাল পালে।

এদিন ৰাণীয়ে ৰজাক কলে তেওঁৰ লিগিৰী নুজহাটৰ লগত বিয়া পাতি দিবলৈ। কাৰণ হাছানে হেনো নুজহাটক বৰ ভাল পায়। ৰজায়ো সেই কথা শুনি হাছানক কৈ বিয়াৰ যো-জা কৰিবলৈ ধৰিলে। ○○

# "মহাৰাজ! মইহে আগতে মৰিছিলো"

হাছান আৰু নুজহাটৰ বিয়া ৰজা হাৰুণ-আল্-ৰছিদৰ ৰাজ-কাৰেঙত বৰ জাকজমক আৰু আনন্দৰ মাজেদি সুকলমে সমাধা হৈ গল। ৰাণী জুবেদাই তেওঁৰ লিগিৰী নুজহাটক ভালেমান বহুমূলীয়া উপহাৰ দিলে আৰু ৰজায়ো হাছানক সেইদৰে অনেক দুৰ্মূল্য বঁটা দিলে।

সেই কাৰেঙৰে এটা ডাঙৰ কোঠাত হাছান আৰু নুজহাটক থাকিবলৈ ৰজাই অনুমতি যাচিলে। হাছান আৰু নুজহাটেও ইমানবিলাক ধন-সম্পত্তি পাই বৰ সুখেৰে আৰু আড়ম্বৰেৰে কাল কটাবলৈ ধৰিলে। হাত ধৰি নচলিলে কুবেৰৰ ভৰালো ক্ষয় হয়। এইদৰে উধাই-মুধাই ধন-সোণ ভাঙোতে ভাঙোতে তেওঁলোকৰ টকা-কড়িৰ নাটনিয়ে দেখা দিলে।

এদিন সেই নাটনিৰ কথা ভাবি-চিন্তি দুয়ো মূৰ ঘমাই বহি আছে। শেষত হাছানে বহুত পৰ গলা-গপা কৰি এটা উপায় উলিয়ালে আৰু সেইমতে নুজহাটক সকলোখিনি কাম কৰিবলৈ দিহা দিলে।

হাছানৰ দিহা মতে নুজহাটে হাছানক কোঠাটোৰ মাজতে শুৱালে আৰু গায়ে-মুখে এখন কাপোৰেৰে ঢাকিলে। তাৰ পাছত তেওঁ গিৰিয়েক মৰিল বুলি হুৱাৰ-ৰাৰে কান্দিলে, আৰু সেইদৰেই ইনাই-বিনাই ৰাণী জুবেদাৰ ওচৰ পালেগৈ। হাছান এনেকৈ হঠাতে মৰিল বুলি শুনি ৰাণী অতি আচৰিত হল আৰু তেওঁ বৰ বেজাৰ পালে। এনে বিপদত ৰাণীয়ে নুজহাটক পুতৌ কৰি এশটা সোণৰ মোহৰ যাচিলে আৰু লগতে শৰ ঢাকিবলৈ বহুমূলীয়া কাপোৰ এখনো দিলে। নুজহাটে পেটৰ হাঁহি পেটতে সামৰি বাহিৰে তেতিয়াও বেজাৰৰ চিন দেখুৱাই সোণৰ মোহৰখিনি আৰু কাপোৰখন লৈ ঘৰলৈ খোজ ললে। ঘৰ পাই হাঁহি হাঁহি গিৰিয়েকক কাপোৰ আৰু সোণৰ মোহৰখিনি দিলেগৈ আৰু কেনেকৈ হাছান মৰিল বুলি কান্দি-কাটি কথা কৈ ৰাণীৰ পৰা সেইখিনি সৰকালে, তাকে দেখুৱাই দুয়ো বাগৰি বাগৰি হাঁহিলে।



গিৰিয়েক মৰিল বুলি হুৰাও-ৰাৱে কান্দিলে

তাৰ পাছত নুজহাটক সেই ঠাইতে শুৱলৈ দিলে আৰু কাপোৰ এখনেৰে গায়ে-মূৰে ঢাকি ঘৈণীয়েক মৰিল বুলি এইবাৰ হাছানে ৰাওচি জুৰি কান্দি কান্দি ৰজাৰ কাষ পালেগৈ। ৰজা সেই সময়ত ৰাজকাৰ্য্যত বৰ ব্যস্ত আছিল। অকস্মাতে এই বাতৰিটো শুনি তেওঁ বৰ দুখ পালে আৰু সকলো কথা সুধি-পুছি লৈ হাছানক এশ সোণৰ মোহৰ আৰু এখন শৰ ঢকা বহুমূলীয়া কাপোৰ দিবলৈ ধন-ভৰালীক আদেশ দিলে। আবু হাছানে সেই বস্তুখিনি সামৰি-সুতৰি লৈ পেটে পেটে হাঁহি হাঁহি, কিন্তু বাহিৰে তেতিয়াও চকুপানী টুকি টুকি, ৰজাৰ কাষৰ পৰা আঁতৰিল। নুজহাটৰ আগত সেই সোণৰ মোহৰবোৰ আৰু কাপোৰখন মেলি দেখুৱাই মাটিত বাগৰি বাগৰি হাঁহি হাঁহি হাছানৰ আৰু নুজহাটৰো পেটু-নাড়ি সোপাই ছিগা যেন হল।

ইফালে সেইদিনাৰ বাবে ৰাজকাৰ্য্য সামৰি থৈ ৰজাই বৰ দুখেৰে ৰাণীৰ ওচৰত নুজহাট মৰাৰ বাতৰি দিলেগৈ। ৰাণীয়ে অতি আচৰিত হৈ কলে— "মহাৰাজ আপুনি কি কৈছে মই বুজিব পৰা নাই। নুজহাট মৰা নাই নহয়! হাছানহে মৰিছে, আপুনি ইমান ভুল কৰা দেখি মই আচৰিত নামানি পৰা নাই।"

ৰজাই ক'লে— "ৰাণী তোমাৰহে ভুল হৈছে। হাছান কেতিয়াও মৰা নাই। তোমাৰ হাত-ধৰী লিগিৰী নুজাহাটহে মৰিছে।" ৰাণীয়ে ক'লে— "মহাৰাজ! আপোনাৰ প্ৰমাদ দেখি মই দুখ পাইছোঁ। হাছান মৰিছে আৰু সেই কথা নুজহাটে নিজে কান্দি কান্দি আহি মোক জনাই মোৰ পৰা এশ সোণৰ মোহৰ আৰু এখন বহুমূলীয়া শৰ ঢকা কাপোৰ নিছে।" ৰজাই ক'লে— "ৰাণী! তোমাৰ ভ্ৰম দেখিহে মই বিচুৰ্তি হৈছোঁ। নুজহাট মৰিছে আৰু সেই কথা মোক জনাই হাছানে নিজে আহি মোৰ পৰা এশ সোণৰ মোহৰ আৰু এখন বহুমূলীয়া শৰ ঢকা কাপোৰ নিছে।"

এইদৰে ৰজা-ৰাণী দুইৰো ভিতৰত লাহে লাহে বৰকৈ খকা-খুন্দা লাগিবলৈ ধৰিলে। শেষত দুইৰো উখনা উখনিও হল। তাৰ এটা প্ৰতিকাৰ কৰিবলৈ বুলি ৰজাই ক'লে— "ৰাণী, আমি ঘাই ঘটনাটো আকৌ এবাৰ বিচাৰ নকৰোৱাকৈ ইয়াকে লৈ এইদৰে গলা-গপা কৰা ভাল হোৱা নাই। মই এতিয়াই এজন মানুহ পঠাওঁ। তেওঁ হাছানৰ কোঠালৈ গৈ কোন মৰিছে চাই আহক। তেতিয়া নিশ্চয় বুজিবা যে

মোৰ কথাই ঠিক।" ৰাণীয়ে কলে— "মানুহ পঠিয়াওক, হানি নাই। কিন্তু মোৰ কথাত যে এফেৰিও আঁৰ নাই, এই বিষয়ে মই নিঃসন্দেহ।"

ৰজাৰ ঘৰৰ পৰা মানুহ যোৱা দেখিয়েই ধূৰ্ত হাছানে কথাটো বুজি পালে আৰু নুজহাটক তৎক্ষণাত কাপোৰেৰে গা-মুখ ঢাকি মৰা ভাও জুৰি পৰি থাকিবলৈ কলে; ওচৰতে বহি হাছানেও ইনাই-বিনাই কান্দি থাকিল। ৰজাৰ মানুহ আহি দেখে সঁচাকৈয়ে নুজহাট মৰি আছে! তথাপি ঢকা কাপোৰখন এবাৰ দাঙি চালে আৰু হাছানক বুজনি দি গুচি গল। ৰজাৰ মানুহ গৈ বাতৰি দিলে বোলে নুজহাট মৰিল হয় আৰু হাছান ওচৰতে বহি কান্দি আছে। এইবাৰ ৰাণীয়ে অভিযোগ কৰিলে বোলে তেওঁক মিছাত পেলাবলৈহে ৰজাই সেই মানুহটো পঠাই এইবোৰ ষড়যন্ত্ৰ কৰিছে। নিৰুপায় হৈ ৰজাই ৰাণীক নিজেই মানুহ পঠাবলৈ কলে। ৰাণীয়ে তেওঁৰ বুঢ়ী লিগিৰীজনীক সকলো কথা নিজ চকুৰে চাই আহিবলৈ পঠিয়ালে।

হাছানে নিজ কোঠাৰ পৰাই সকলো মন কৰি আছিল। বুঢ়ীজনী অহা দেখিয়েই নিজে তৎক্ষণাত শুই গায়-মুখে কাপোৰখন পেলাই লৈ মৰা ভেশ ধৰিলে আৰু নুজহাটক ওচৰত বহি ইনাই-বিনাই কান্দি থাকিবলৈ কলে। ৰাণীৰ পাচনি মতে বুঢ়ী আহি কাপোৰখন দাঙি চাই দেখে, সঁচাকৈয়ে হাছান মৰিল। বুঢ়ীয়েও নুজহাট বাঁৰী হোৱাত তাইৰ দুখত চকুলো টুকি টুকি পুনৰ ৰাণীৰ কাষ পালেহি। বুঢ়ীয়ে ৰাণীৰ আগত হাছান মৰা আৰু নুজহাটে শৱটো আগত লৈ কান্দি থকা দেখি অহা অনুসাৰে হুবহু সকলো কথা কলে। ৰজাই কিন্তু বুঢ়ীৰ কথা বিশ্বাস কৰিব নোৱাৰিলে। ৰাণীৰ বৰ খং উঠিল। ৰজা আৰু ৰাণীৰ তৰ্ক লাগিছে আৰু ইফালে ৰাণীয়ে চাবলৈ পঠোৱা বুঢ়ী লিগিৰীজনী আৰু ৰজাই পঠোৱা মানুহটোৰ ভিতৰত গালি পৰা-পৰি লাগিছে। কোনেও কাৰো কথা বিশ্বাস নকৰে।

শেষত ৰজাই ক'লে— "ৰাণী! এনেকৈ অনাহক তৰ্ক কৰি থাকি লাভ নাই। দুয়ো গৈ কথাটো নিজ চকুৰে চাই আহোঁগৈ। এই বুঢ়ীজনী বা মানুহটো যেয়ে মিছা কৈছে, তাকে ঘোৰ শাস্তি দিম।"

ৰজা ৰাণী তেওঁলোকৰ কোঠাৰ ফাললৈ অহা দেখি পোনতে পেপুৱা খালেও মৰণত শৰণ লৈ দুয়ো বেলেগে বেলেগে মৰা ভাও জুৰি কাপোৰেৰে গা-মুখ ঢাকি পৰি থাকিল। ৰজা-ৰাণী আহি এইবাৰ

দুইটাকে মৰি থকা দেখি আৰু আচৰিত হল; আৰু নতুন সমস্যাত পৰিল। পাছত তেওঁলোকে থিৰ কৰিলে, নিশ্চয় আগতে এটা মৰিছে আৰু ইটোৰ দুখত সিটো মৰিছে। এতিয়া পুনৰ তৰ্ক উঠিল— আগতে কোন মৰিল? আগৰ দৰেই ৰজাই ক'লে— যি হেতুকে হাছান গৈ ঘৈণীয়েক মৰিছে বুলি তেওঁৰ পৰা এশ সোণৰ মোহৰ আনিছে; তেতিয়া নিশ্চয় নুজহাট আগতে মৰিল, আৰু ঘৈণীয়েক মৰাৰ দুখত পাছত হাছান মৰিল। ৰাণীয়ে ডাঠি ক'লে— যি হেতুকে গিৰিয়েক মৰা বুলি নুজহাটে তেওঁৰ পৰা এশ সোণৰ মোহৰ আনিছে; তেতিয়া নিশ্চয় হাছান আগতে মৰিছে আৰু গিৰিয়েক মৰাৰ দুখত নুজহাট পাছত মৰিল। শেষত কোনো উপায় নাপাই ৰজাই ঘোষণা কৰিলে, নুজহাট আৰু হাছানৰ ভিতৰত কোন আগতে মৰিছে যেয়ে সঠিককৈ কব পাৰিব, তাকে তেওঁ সত্যে সত্যে এহেজাৰ সোণৰ মোহৰ বঁটা দিব।।

ইয়াৰ ভিতৰতে ঘটনা-স্থলত বহুত লোক উপস্থিত হল। ৰজাৰ ঘোষণা শুনি সকলো মানুহ তলকা মাৰিলে। কিয়নো নুজহাট আৰু হাছানৰ কোন আগতে মৰিল, কোন পাছত মৰিল কোনেও কব নোৱাৰে। ইফালে ৰজাই ঘোষণা কৰা এহেজাৰ সোণৰ মোহৰ কোনে কেনেকৈ পাব বিচুৰ্তি হল।

এনেতে কাপোৰৰ তলৰ পৰা মুখ উলিয়াই লাহেকৈ হাছানে মাত লগালে— "মহাৰাজ! মইহে আগতে মৰিছিলো, মোক এতিয়া এহেজাৰ সোণৰ মোহৰ দিয়ক।" মৰা মানুহটোৱে নিজে মুখ উলিয়াই এইদৰে কথা কোৱাত ৰজা-ৰাণী, সকলো মানুহ স্বৰগ পৰাৰ দৰে হল। কি কওঁ, কি নকওঁ কৰোঁতেই নুজহাটো মৰাৰ পৰা উঠিল আৰু দুয়ো ৰজা-ৰাণীৰ ভৰিত দীঘল দি পৰি ক্ষমা-প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। ৰাণীয়ে তেতিয়াও বিশ্বাসকে কৰিব পৰা নাই যে হাছান সঁচাকৈয়ে মৰা নাই। ৰজাই আচৰিত হৈ হাছানক এই ৰহস্যৰ কথা সুধিলে। হাছানে হাতযোৰ কৰি ক'লে— "মহাৰাজ! দাস-দাসীক মাৰকেই বা কাটকেই, গুৰিৰ কথা কওঁ। মহাৰাজ-মহাৰাণীয়ে আমাক মৰম কৰি বহুত ধন-সোণ দিলেও আমি সেইবোৰ উধাই-মুধাই খৰচ কৰি খাস্তাং কৰিলো। সেইবাবে মহাৰাজ মহাৰাণীৰ ওচৰলৈ আকৌ ধন বিচাৰি যাবৰ সাহ নহল। এদিন দুয়ো মূৰ ঘমাই বহি থাকি শেষত এইটো উপায় উলিয়ালো। পোনেই নুজহাট মহাৰাণীৰ ওচৰলৈ আহি মই

মৰিলো বুলি কৈ এশ সোণৰ মোহৰ নিলে। তাৰ পাছত মই মহাৰাজৰ ওচৰলৈ আহি নুজহাট মৰিল বুলি এশ সোণৰ মোহৰ নিলো। গতিকে মহাৰাজ মই যে আগতে মৰিছিলো, ই নিশ্চয়। গতিকে মহাৰাজে নিজে ঘোষণা কৰা এহেজাৰ সোণৰ মোহৰ মই পাব লাগে।"

হাছানৰ মুখৰ পৰা এই কাহিনী শুনি ৰজা-ৰাণী আৰু উপস্থিত সকলো মানুহৰ হাঁহিত পেটু নাড়ি ছিগা যেন হল। সকলোৱে হাছানৰ সেই ধেমালিত বৰ আমোদ উপভোগ কৰিলে। ৰজাই নিজে ঘোষণা কৰা অনুসাৰে হাছানক ৰংমনে এহেজাৰ সোণৰ মোহৰ দিলে আৰু গোটেই ধেমালিটো বুজি ৰাণীয়েও নুজহাটক এহেজাৰ সোণৰ মোহৰ দিলে। তেতিয়াৰে পৰা ধন-সোণৰ বাবে কোনো আলৈ-আহুকাল নোহোৱাকৈ হাছান-নুজহাট দুয়ো দিন নিয়াবলৈ ধৰিলে। ৰজা হাৰুণ-আল্-ৰছিদ্ আৰু ৰাণী জুবেদায়ো এওঁলোকক লৈ নানা ৰং-ধেমালিত কাল কটালে। ○○

# ভোদাৰামৰ ভাগ্য

বুদ্‌ৰাম আছিল ভোদা; এই কাৰণেই গাঁৱৰ মানুহে তাৰ নাম দিছিল ভোদাৰাম। বুদ্ধি কৰি কোনো কাম ভোদাৰামে কৰিব নোৱাৰিছিল। তাৰ বুদ্ধি মতে কাম কৰিলে তোমাৰ সকলো কাম পণ্ড হবই হব। ভোদাৰামক দেখিলেই সৰু সৰু লৰা-ছোৱালী বিলাকে চিঞৰি চিঞৰি জোকাবলৈ ধৰে।

এদিন ভোদাৰামৰ মাকে ভোদাৰামক পইছা চাৰিটা দি ক'লে— "যি সস্তা পাব, তাকে আনিবি; কিন্তু দৰ দাম কৰিহে বস্তু কিনিবি।" কিছু সময়ৰ পাছত ভোদাৰাম বজাৰৰ পৰা আহিছে— তাৰ মূৰত এটা ডাঙৰ বোজা। সকলো অবাক্— ভোদাৰামে এপাচি গোবৰ আনিছে। মাকে ক'লে— "এইবোৰ কি আনিছ?" ভোদাৰামে কলে— "কিয়, তুমি কৈছিলা নহয় সস্তা বস্তু আনিবলৈ? চাৰি পইছাৰ ইমানখিনি বস্তু পালো দেখি তাকে আনিলো।" ভোদাৰামৰ কথা শুনি মাকে কলে— "মই তোক শাক পাচলিৰ যি সস্তা হয় তাকেহে আনিবলৈ কৈছিলোঁ?"

আৰু এদিন মাকে ভোদাৰামক ক'লে— "বেগতে অলপমান মিঠাই কিনি আনচোন, পলম নকৰিবি।" ভোদাৰামে একে লৰে দোকানৰ পৰা কেইডোখৰ মান মিচিৰি আনি দিলে।

আৰু এদিন আবেলি ভোদাৰামে কাপোৰেৰে ঢাকি কিবা এটা বস্তু ঘৰলৈ আনিছে। তাৰ মাকে আচৰিত হৈ ক'লে— "এইবোৰ কি অ', কাপোৰেৰে ঢাকি কি আনিছ?" ভোদাৰামে মিচিকিয়াই কলে— "অশ্বত্থ ফল।" মাকে কলে— "অশ্বত্থ ফলনো কেনেকুৱা?" মাকৰ কথা শুনি ভোদাৰামে কলে— "হু, তোমালোকে মোক ভোদা, ভোদা বোলা; অথচ তোমালোকে অশ্বত্থ ফলৰ নামকে নাজানা। অথনি মই পুখুৰীত বৰশী বাই আছিলো, হঠাৎ দেখিলো পুখুৰীৰ পাৰত এজোপা প্ৰকাণ্ড অশ্বত্থ গছত ডাঙৰ ডাঙৰ ফল লাগি আছে। মই বহুত কষ্টেৰে

কাপোৰেৰে ঢাকি এইবোৰ আনিছো। তথাপি তোমালোকে মোক কোৱা— বুদুৰাম ভোদা।"

এই বুলি ভোদাৰামে কাপোৰখন গুচাই দিলে। কিন্তু যেই কাপোৰখন সোলোকালে, তৎক্ষণাৎ ভো ভো কৰে হাজাৰ বিজাৰ বৰল ওলাই ভোদাৰামক কামুৰিবলৈ ধৰিলে। মাকে দেখিলে সৰ্ব্বনাশ। ভোদাৰামে ফল বুলি ভাবি বৰলৰ বাহ ভাঙি আনিছে! শেহত জানিবা বহুত কষ্টেৰে বৰলৰ হাতৰ পৰা সাৰিল।

ভোদাৰামৰ মনত বৰ দুখ যে সদায় সকলো মানুহে তাৰ বুদ্ধিৰ দোষ ধৰে। এদিন কিবা এটা কাৰণত পিতাকে ভোদাৰামক বৰ কোবালে। ভোদাৰামে মনৰ বেজাৰত ঘৰ এৰিলে আৰু স্থিৰ কৰিলে যে সি কেতিয়াও এই গাঁৱত নাথাকে। যি ঠাইত তাক সকলোৱে বিদ্ৰূপ কৰে, ঘৰৰ মানুহে কথায় কথায় মাৰে, এনেকুৱা ঠাইত কোন থাকে?

যি ফালেই তাৰ ভৰি দুটা যায় সি সেই ফালেই গৈ আছে। যেতিয়ালৈকে সি গাঁৱৰ ভিতৰত আছিল, তেতিয়ালৈকে লৰাবোৰে তাক পিছে পিছে হাঁহি-খিকিন্দালি কৰি খেদি গৈছিল। ভোদাৰামে সিহঁতক কোনো কথা নকৈ একমনে গৈ আছে।

গধূলি সময়ত এটা সৰু পৰ্বত পালেগৈ। ভাগৰত তত নাপাই সি তাৰে এটা শিলৰ ওপৰত বহি জিৰাইছে, এনেতে সি শুনিবলৈ পালে— কৰবাত যেন দুটা কেঁচুৱাই কান্দিছে।

এই নিৰ্জন পৰ্বতত লৰাৰ কান্দোন ক'ৰ পৰা ওলাল। বিচাৰি গৈ গৈ ভোদাৰামে দেখা পালে যে সেই পৰ্বতৰ গুহাত দুটা কেঁচুৱা লৰা পৰি আছে।

ভোদাৰাম সঁচাকৈয়ে ভোদা হলেও তাৰ মনটো আছিল বৰ কোমল। সি লৰা দুটাক কোলাত লৈ মানুহৰ ঘৰৰ ফালে যাবলৈ ধৰিলে।

পৰ্বতটোৰ সিপাৰে এজন ৰজাৰ ৰাজ্য। ৰাজ্যত মহা হুলস্থুল। ৰজাৰ যঁজা লৰা দুটাক ধায়ে তেল-কুৰ ঘঁহি ৰদত থৈছিল, এনেতে দুটা বান্দৰে লৰা দুটাক লৈ পলাল। আৰু কোনেও বিচাৰি পোৱা নাই।

গোটেই ৰাজ্যৰ মানুহে বিচাৰিছে। ৰজাই নগৰত ঢোল পিটি



তৎক্ষণাত ভোভো কৰে হাজাৰ বিজাৰ বৰল ওলাই
ভোদাৰামক কামুৰিবলৈ ধৰিলে।

শুনালে— "যি ৰজাৰ লৰা দুটাৰ কোনো সন্ধান দিব পাৰে— তাকে আধা ৰাজ্য দিব আৰু ৰাজ কন্যাক বিয়া দিব।"

ভোদাৰামে এইবোৰ একো নাজানে। লৰা দুটাক আশ্ৰয় দিবলৈ নি, সি সেই ৰাজ্য পালেগৈ। ভোদাৰামৰ কোলাত যঁজা ল'ৰা দুটাক দেখি সকলোৱে চিনিব পাৰিলে যে সেই দুটাই ৰজাৰ হেৰোৱা যঁজা লৰা হাল।

সকলোৱে ভোদাৰামক ৰজাৰ ওচৰলৈ লৈ গল। লৰা দুটা পাই ৰজাই স্বৰ্গ ঢুকি পোৱা যেন পালে। তাৰ পাছত এদিন শুভ দিনৰ শুভ লগ্নত ৰাজ-কন্যাক বিয়া কৰাই ভোদাৰামে আধা ৰাজ্যৰ ভাৰ পালে।

ভোদাৰামৰ ভাগ্যৰ বলত তাৰ মাক হল আজি ৰাজমাও, আৰু তাৰ পিতাক ৰজাৰ পিতাক হৈ শ্ৰদ্ধা আৰু সন্মান পাইছে। ○○

# জোলাৰ ল'ৰা

প্ৰকাণ্ড ৰাজ্যৰ ৰজা। একোৰে অভাৱ নাই। হাতীশালত হাতী, ঘোৰাশালত ঘোৰা; গোটেই ৰাজ্যত মানুহৰ সমাগম! কিন্তু কাৰো মুখত হাঁহি নাই, সকলোৰে মুখত বেজাৰৰ চিন।

এই বেজাৰৰ কাৰণ হৈছে— ৰজাৰ একমাত্ৰ পুতেকৰ বৰ টান নৰীয়া। আৰু জীয়াই থাকিবৰ আশা নাই।

ৰাজ্যত যিমান বিলাক বেজ, কবিৰাজ আছিল সেই সকলো আহি শেষ চিকিৎসা কৰি গৈছে; এতিয়া ঈশ্বৰৰ হাতত।

ৰজাৰ ৰাজকাৰ্য্যত মন নবহা হ'ল। মাথোন দিনে-ৰাতিয়ে মূৰে-কপালে হাত দি হুমুনিয়াহ কাঢ়ি থাকে। ৰাণীৰ যে কথাই নাই; কান্দি-কাটি খীণাই-শুকাই গৈছে। নাখাই-নবই কান্দি থাকে আৰু মাজে মাজে চিঞৰি চিঞৰি ঈশ্বৰক কাকুতি কৰি মাতি থাকে।

লৰাটোৰ আৰু কোনো ৰকমেই জীৱনৰ আশা নাই। তথাপি এই বাৰ শেষ চেষ্টা কৰি চাব খুজিছে— "নমৰে মানে চাবা। নুবুৰে মানে বাবা।।"

ৰজাৰ আদেশ মতে মন্ত্ৰীয়ে গোটেই ৰাজ্যত ঢোল পিটি শুনাই দিলে— "যি ৰাজপুত্ৰক ভাল কৰি দিব পাৰিব তাকে ৰাজ্যৰ আধাখিনি দিব।"

ৰজাৰ আন কোনো ল'ৰা-ছোৱালী নাছিল। যদি কোনো ছোৱালী থাকিলহেঁতেন, ৰাজ্যৰ লগতে সেই জীয়েককো বিয়া দিলেহেঁতেন।

ৰাজ্যৰ এচুকত এটা ভগা পঁজাত এটা জোলাৰ ল'ৰা আছিল। বেচেৰা লৰাটি ইমান দুখীয়া যে সি কেতিয়াবা আধাপেটী, আকৌ কেতিয়াবা লঘোণে দিন কটাব লাগিছিল।

আজি কেইবা দিনো বেচেৰাই একো খাবলৈ পোৱা নাই। সেইদিনা সি ভাবিলে— "ইমান কষ্ট কৰি জীয়াই থকাতকৈ ডিঙিত চিপ লগাই মৰাই ভাল।"

ইয়াকে থিৰ কৰি জোলাৰ ল'ৰাটোৱে হাতত জৰী এডাল লৈ আপোনঘাটী হবলৈ বুলি এজোপা ওখ গছ বিচাৰি গৈছে, এনেতে শুনিবলৈ পালে নগৰত ঢোল পিটি শুনাই দিছে— "যি ৰাজপুত্ৰক

ভাল কৰি দিব পাৰিব, তাকে আধা ৰাজ্য দিব আৰু যদি নোৱাৰে তেতিয়া প্ৰাণদণ্ড দিব।"

জোলাৰ ল'ৰাটোৱে ভাবিলে এতিয়া কি কৰো? যদি পাৰো তেতিয়া হলে এখন ৰাজ্যৰ ৰজা হব পাৰিম আৰু নোৱাৰিলে প্ৰাণদণ্ড দিব। এনেয়ে ৰজাৰ মন বেয়া, তাতে জোলাৰ লৰাৰ মুখখন দেখি তেওঁৰ টিক্‌চি-বিক্‌চি খং উঠিল। ৰজাই তাক ক'লে— "হেৰা ছালছিগা ভিকহুৰ লৰা, কি হেঁ? তুমি ক'ৰ পৰা আহিছা হেঁ? তোমাৰ সাহটো দেখোন বাৰুটোৱেই। আওমৰণেৰে মৰিবলৈ আহিছা কিয়, বোপাই? ঘৰৰ লৰা ঘৰলৈ যোৱাগৈ। এইটো পটেৰে তুমি ৰাজপুত্ৰক ভাল কৰিব নোৱাৰা। কিয়, অনাহকত পৈতৃক প্ৰাণটো বলি দিবলৈ আহিছা?"

জোলাৰ লৰাই যে নিজেই জানি-শুনি মৰিবলৈ আহিছে! এতেকে সি অলপো কটাহিত নকৰি কলে— "স্বৰ্গদেউ, মোক সাতদিন সময় দিয়ক। ইয়াৰ ভিতৰতে যদি আপোনাৰ পুতেকক ভাল কৰি দিব নোৱাৰো, মোক প্ৰাণদণ্ড দিব।"

ৰজাই অলপ ভাবি চাই কলে— "বাৰু, তোমাক সাত দিন সময় দিছোঁ। কিন্তু মনত ৰাখিবা, হয় অৰ্দ্ধ ৰাজ্য, নহয় প্ৰাণদণ্ড।"

জোলাৰ লৰাই ৰজাৰ পৰা বিদায় লৈ এটা সৰু বাটেদি যাবলৈ ধৰিলে আৰু গৈ গৈ সন্ধ্যা সময়ত এখন নৈ পালে।

নিজান নৈ। তাৰ ওচৰত কোনো গাঁও বা মানুহৰ ঘৰ নাই। এফালে বিশাল নদী আৰু আনফালে গভীৰ অৰণ্য।

তাতেই ৰাতিটো কটাব লাগিব। তলত থাকিলে বাঘ-ভালুকৰ মুখত পৰিব লাগিব, সেইবাবে সি এজোপা গছত উঠি ৰাতি কটাবলৈ ঠিক কৰিলে।

নৈৰ পাৰতে এজোপা প্ৰকাণ্ড গছ আছিল। জোলাৰ লৰাটো গছজোপাৰ আগত বহি আছিল। হঠাৎ সি বহুত দূৰত এটা ঘৰৰ নিচিনা দেখিলে আৰু দেখিলে তাৰ পৰা বৰকৈ ধোঁৱা ওলাইছে।

জোলাৰ ল'ৰাই ভাবিলে, নিশ্চয় তাৰ নিচিনা কোনোবা দুখীয়াৰ ঘৰত জুই লাগিছে।

সি ল'ৰালৰিকৈ গছৰ পৰা নামি সেই ঘৰটোৰ ফালে লৰ ধৰিলে। সি খিৰিকিয়েদি জুমি চাই দেখে যে দপ্ দপ্ কৰে জুই একুৰা জ্বলিছে আৰু তাৰ মাজতে এজন সন্ন্যাসী বহি আছে। ওচৰতে তেওঁৰ

পূজাৰ বস্তুবোৰ। ঘৰটোৰ বাৰাণ্ডাতে মৰা ল'ৰা এটা পৰি আছে। তাৰ ওচৰতে এজন কণা মানুহ বহি আছে।

এইবোৰ দেখি জোলাৰ লৰা একেবাৰে অবাক হল। কথাটো কি হৈছে একোকে নুবুজিলে। শেষত নো কি হয় তাকে চাবলৈ বুলি খিৰিকিৰ ওচৰতে সি মনে মনে থিয় হৈ বৈ থাকিল।

জুইৰ মাজতে সন্ন্যাসীয়ে কিবা মন্ত্র গাই আছিল। অলপ সময়ৰ পাছত হাতখন ওপৰলৈ তুলি তিনিবাৰ কিবা কলে, তৎক্ষণাৎ সেই দপদপ কৈ জ্বলা জুই নুমাই গল। তেতিয়া সন্ন্যাসীয়ে তাৰ ছাইখিনি আনি মৰা লৰাটোৰ গাত সানি দিলে।

কি আচৰিত। সেই মৰা লৰাটো তেতিয়াই গা মূৰি দি উঠি বহিল।

এইবিলাক দেখি জোলাৰ লৰাৰ আনন্দত তত নোহোৱা হ'ল। কোনো উপায়েৰে যদি এই সন্ন্যাসীক ৰজাৰ ওচৰলৈ নিব পৰা হয়, তেতিয়া যে কথাই নাই! মৰা লৰাকে যদি জীয়াব পাৰিছে, নৰীয়া লৰাক ভাল কৰিবলৈ কিমান পৰ লাগিব?

জোলাৰ লৰা আৰু মনে মনে থাকিব নোৱাৰিলে। সি গৈ সন্ন্যাসীৰ ভৰিত ধৰি বহুত পৰ কাকুতি-মিনতি কৰি সন্ন্যাসীক সন্তুষ্ট কৰিলে।

এইদৰেই চাওঁতে চাওঁতে ছদিন পাৰ হৈ গ'ল। কাইলৈ সাত দিন। কাইলৈকেই ৰাজকোঁৱৰক জোলাৰ লৰাই ভাল কৰিব লাগিব, নোৱাৰিলে তাৰ প্ৰাণদণ্ড।

এইবিলাক ভাবি ভাবি ৰজা অস্থিৰ হৈ পৰিছে। ৰাজপুত্ৰৰ অৱস্থা ক্ৰমে বেয়া হৈ আহিছে। এতিয়াও সেই জোলাৰ লৰাক দেখা নাই। আজি বাৰ বজাৰ ভিতৰতে যদি নাপায়হি তেনেহলে তাক যেনেতেনে বিচাৰি অনাই প্ৰাণদণ্ড দিব লাগিব।

সেইদিনা কি হয়, কি নহয় তাকে চাবলৈ ৰাজ সভাত মানুহ ভৰি আছে। এনেতে সকলোৱে এটা বিকট চিঞৰ শুনিবলৈ পালে—

"বম্ বম্ হৰ হৰ!"

এই ভয়ঙ্কৰ শব্দ শুনি সকলো মানুহে চক্ খালে আৰু কোনে চিঞৰিছে চালে। সকলোৱে দেখিলে যে এজন সন্ন্যাসীৰ লগত জোলাৰ ল'ৰা আহিছে।

সন্ন্যাসীৰ কথা মতে ৰজাৰ লৰাক ৰাজ সভালৈ অনা হ'ল।



সন্ন্যাসীৰ আদেশমতে জোলাৰ ল'ৰাই জুইৰ পৰা
ভস্মখিনি আনি ৰাজপুত্ৰৰ গাত সানি দিলে।

ৰাজপুত্ৰক দেখি বুজা গ'ল যে তেওঁৰ আৰু প্ৰাণ নাই— অকল বুকুখন ধপধপ কৰি আছে। ৰাজপুত্ৰৰ এই অৱস্থা দেখি সকলোৱে চকুৰ পানী টুকিবলৈ ধৰিলে।

সন্ন্যাসীয়ে সভাৰ মাজত বহি কিবা এটা মন্ত্ৰ মাতিলে। তেতিয়া তেওঁৰ চাৰিওফালে দম্‌দম্ কৈ একুৰা জুই জ্বলি উঠিল। অলপ পৰৰ পাছত তেওঁ আকৌ মন্ত্ৰ মাতিলে, আৰু জুইকুৰা নুমাই গ'ল।

সন্ন্যাসীৰ আদেশমতে জোলাৰ লৰাই জুইৰ পৰা ভষ্মখিনি আনি ৰাজপুত্ৰৰ গাত সানি দিলে। তৎক্ষণাৎ ৰাজপুত্ৰ উঠি বহিল। সভাৰ মানুহবোৰ আচৰিত হ'ল।

ৰজা আৰু ৰাণী আনন্দত আপোন-পাহৰা হ'ল। ৰাণীয়ে নিজৰ পুতেকক আৰু ৰজাই জোলাৰ পুতেকক সাবট মাৰি ধৰি মৰম কৰিলে। ৰাণীয়ে ক'লে— "আগতে আমাৰ এটা ল'ৰা আছিল, আজিৰ পৰা দুটা ল'ৰা হ'ল।"

তাৰ পাছত বৰ ৰং পাই জোলাৰ ল'ৰাক আধা ৰাজ্য দান কৰিলে।

জোলাৰ ল'ৰাক ৰজা হোৱা দেখি সন্ন্যাসীয়ে বৰ ভাল পাই তেওঁক আশীৰ্বাদ দি হিমালয় পৰ্বতৰ ফালে গুচি গ'ল। যাবৰ সময়ত সন্ন্যাসীক কেতিয়াও নাপাহৰিবলৈ তেওঁক কৈ গ'ল।

জোলাৰ ল'ৰা এতিয়া ৰজা হৈছে, তেওঁৰ এতিয়া ৰজাৰ নিচিনা আচাৰ-ব্যৱহাৰ। তেওঁ গান-বাজনা কৰে, চিকাৰ কৰে— সকলো ৰজাৰ দৰে। কিন্তু তেওঁৰ গুৰুক কেতিয়াও পাহৰা নাই।

এদিন চিকাৰ কৰিবলৈ যাওঁতে জোলাৰ ল'ৰাই এটা হৰিণা খেদি খেদি এখন গভীৰ হাবিত সোমাল। তেতিয়া সন্ধ্যা লাগিছে। বাট-পথ বিচাৰি নাপাই তেওঁ হাবিতে বহি সৰু ল'ৰাৰ দৰে হাও-হাওকৈ কান্দিবলৈ ধৰিলে। চাৰিওফালে ভীষণ জন্তুবোৰে চিঞৰিছে। হঠাৎ ওচৰৰ ঠাইখন উজ্বল হৈ উঠিল। জোলাৰ ল'ৰাই চাই দেখে ওচৰতে তেওঁৰ গুৰুদেৱ থিয় হৈ আছে।

গুৰুদেৱৰ ভৰিত পৰি জোলাৰ ল'ৰাই ক'লে, "গুৰুদেৱ, ৰজাতকৈ আপোনাৰ ক্ষমতা অনেক অধিক; সেই কাৰণেই মই আপোনাৰ লগ নেৰো।"

সেই দিনাই জোলাৰ ল'ৰাই ৰাজ্য এৰি সন্ন্যাসীৰ লগত হিমালয়লৈ গুচি গ'ল। ○○

# শিয়াল বন্ধু

সাত সমুদ্ৰ তেৰ নদীৰ সিপাৰে আছিল এখন বিশাল ৰাজ্য। সেই ৰাজ্যৰ ৰজাজনৰ বয়স বহুত হৈছিল। চকুৰে ভালকৈ মনিব নোৱাৰে, কাণেৰেও নুশুনে। এইবিলাক কাৰণতে ৰজাই ৰাজকাৰ্য্য ভালকৈ চলাব নোৱাৰিছিল।

সেই কাৰণে এইবোৰ কথা ভাবি-চিন্তি ৰজাৰ খাৱন-শোৱন নোহোৱা হ'ল। তেওঁ সদায় সিংহাসনত বহি বিচাৰ কৰিব লাগে, নহলে ৰাজ্যত বেমেজালি ঘটিব।

প্ৰধান মন্ত্ৰীজনো আছিল বুঢ়া মানুহ আৰু ৰজাৰ বৰ বন্ধু। তেৱোঁ আকৌ ইমান বুঢ়া যে মূৰত এডালো চুলি নাই আৰু খোজ কাঢ়িলে থক্ থক্কৈ কঁপিবলৈ ধৰে। বুঢ়া ৰজা, বুঢ়া মন্ত্ৰী এওঁলোকেনো কেনেকৈ ৰাজ্য চলায়?

ৰাজ্যৰ মুখিয়াল মানুহ কিছুমানে ৰজাক ক'বলৈ ধৰিলে— "মহাৰাজ, যুৱৰাজক বিয়া-বাৰু কৰাই দি ৰাজ্যভাৰ দিয়ক, আৰু আপুনি নিচিন্ত মনেৰে ধৰ্ম-চৰ্চা কৰক। প্ৰজাবিলাকৰ এই কথা শুনি ৰজাই হুমুনিয়াহ কাঢ়ে আৰু চকুৰ পানী ওলাবলৈ ধৰে।

বুঢ়া ৰজাৰ একেটি মাথোন পুতেক মদনকুমাৰে যৌৱনত ভৰি দিছে। ৰূপে গুণে তেওঁৰ সমান সেই ৰাজ্যত আৰু কোনো নাই। কিন্তু মদনকুমাৰে প্ৰতিজ্ঞা কৰিছিল যে তেওঁৰ যোৰৰ ৰূপৱতী আৰু গুণৱতী কন্যা নাপালে তেওঁ বিয়াও নকৰায় আৰু সিংহাসনতো নবহে।

গোটেই পৃথিৱীত ইমূৰৰ পৰা আৰম্ভ কৰি সিমূৰলৈকে যিমান বিলাক ৰাজ্য আছিল, সেই সকলোবোৰ ৰাজ্যৰ ছোৱালী চালে। কিন্তু মদনকুমাৰে যিমানবিলাক ছোৱালী চালে কোনো এজনী তেওঁৰ মনৰ জোখাৰে নহ'ল।

যিবিলাক ছোৱালীৰ ৰূপ দেখি ৰাজ্যৰ আন মানুহৰো মন মুগ্ধ হৈছিল, সেইবিলাক ছোৱালীকো মদনকুমাৰে বিদায় দিলে। ৰজা আৰু মন্ত্ৰীয়ে এইবোৰ কথাকে ভাবি-গুণি অস্থিৰ হ'ল। ৰজা মৰিলে এই ৰাজ্য বা কাৰ হাতলৈ যায়!

বুঢ়া ৰজাৰ মুখত হাঁহি নাই। সদায় মন মাৰি এঠাইত বহি থাকে। ইফালে অন্তেষপুৰত ৰাণীৰো সেই একে অৱস্থা। ৰাণীৰো বয়স হৈছে। সেই কাৰণে ঘৰলৈ এজনী বোৱাৰীয়েক আনিবলৈ তেওঁৰ বৰ ইচ্ছা। কিন্তু পুতেকৰ এনেকুৱা অৱস্থা দেখি ৰাণীয়ে বৰ বেয়া পাইছে। ৰাণীয়ে এইবোৰ কথাকে ভাবি-চিন্তি দিনে-ৰাতিয়ে কান্দি থাকে। পুতেকক কত বুজালে, কিন্তু পুতেকে কাৰো কথা নুশুনে।

বুঢ়া মন্ত্ৰীৰ ঘৈণীয়েক গৰাকী বৰ দন্দুৰী আৰু মুখখন বৰ চোকা আছিল। সেইবাবে মন্ত্ৰী ঘৰত কেঁচুটো যেন হৈ থাকে।

সেইদিনাখন ৰাজ-কাৰ্য্য শেষ কৰি মন্ত্ৰী ঘৰলৈ অলপ পলমকৈ গ'ল। মন্ত্ৰী ঘৰ সোমাইছেহে মাথোন, ঘৈণীয়েকে "বঢ়া ভাত তেনেই চেঁচা হৈ গ'ল। ইমান পৰলৈকে ঘৰলৈ আহিব লাগে বুলি নাজানে।" এইদৰে নানা ককৰ্থনা কৰিবলৈ ধৰিলে।

মন্ত্ৰীয়ে বহুত বুজাই মেলি শান্ত কৰিলে।

এদিন মন্ত্ৰীয়ে কথায় কথায় ঘৈণীয়েকৰ আগত ৰজাৰ দুখৰ কথা ক'লে। মন্ত্ৰীৰ মুখে সকলো কথা শুনি ঘৈণীয়েকে ক'লে— "বাৰু, আপুনি মোক ইমান দিনে এই কথা কোৱা নাই কেলেই?" মন্ত্ৰীয়ে ক'লে— "তোমাক ক'লে কি হ'ব? ইমান দেশ-বিদেশত ফুৰা ডাঙৰ ডাঙৰ মানুহেই যেতিয়া পৰা নাই, তুমি ঘৰৰ ভিতৰত সোমাই থকা তিৰুতা মানুহজনীয়ে কি পাৰিবা?" মন্ত্ৰীৰ কথা শুনি ঘৈণীয়েকে হাঁহি হাঁহি ক'লে— "সেইটোৱেই হে আপোনাৰ ডাঙৰ দোষ। ৰাজ্যৰ ডাঙৰ মানুহবোৰ গাধা হ'ল বুলিয়েই মোৰো অকণমান বুদ্ধি থাকিব নাপায় নে? শুনক, আপোনাক এটা বুদ্ধি দিওঁ। আপুনি যদি সেইদৰে কাম কৰে যুৱৰাজৰ মনৰ জোখায় কন্যাও পাব আৰু আপুনিও এইদৰে এ'কো ভাবিব নালাগিব।

"এতিয়া কওঁ শুনক— এই ৰাজ্যৰ সীমাত যে এটা প্ৰকাণ্ড পৰ্বত আছে, তাৰ ওচৰতে হীৰু নামে এটা ল'ৰা থাকে। হীৰুৰ এটা শিয়াল বন্ধু আছে। তাৰ সহায়েৰেই আপুনি যুৱৰাজৰ কাৰণে কন্যা বিচাৰি পাব।"

ঘৈণীয়েকৰ কথা শুনি মন্ত্ৰীৰ আনন্দৰ সীমা নোহোৱা হ'ল। ৰঙতে ৰাতি টোপনিকে নাহিল। পিছদিনা দোকমোকালিতে উঠি মন্ত্ৰীয়ে হীৰুক বিচাৰি ওলাল।

মন্ত্ৰী গৈ আছে, গৈ আছে, গৈয়েই আছে। নগৰ এৰি গাঁও, গাঁও

এৰি নৈ, নৈ এৰি হাবি পালেগৈ। হাবিৰ মাজে মাজে গৈ আছে। শেষত এটা প্ৰকাণ্ড পৰ্বত পালেগৈ।

মন্ত্ৰী ভোকে-পিয়াহে আতুৰ হ'ল। পৰ্বতৰ ওচৰতে এটা নিজৰা কুলু কুলুকৈ বৈ গৈছে। মন্ত্ৰীয়ে তাৰে পানী হেঁপাহ পলুৱাই পি শিল এটাৰ ওপৰতে বহি জিৰাইছে।

হঠাৎ তেওঁ কোনোবাই গান গাই গাই সেইফালে অহা শুনিলে।

মন্ত্ৰীয়ে চাৰিওফালে চাই দেখে এটা সৰু ল'ৰাই শিয়াল এটাৰ লগত ধেমালি কৰি কৰি তেওঁৰ ওচৰলৈকে আহিছে।

মন্ত্ৰীৰ আৰু বুজিবলৈ বাকী নাথাকিল যে এই ল'ৰাটোৱেই হীৰু।

হীৰুৱেও তেতিয়া বুজিলে এওঁ হৈছে এই ৰাজ্যৰ মন্ত্ৰী। তেতিয়া হীৰুৱে মন্ত্ৰীক অতি ভক্তিৰে সৈতে সেৱা কৰিলে।

মন্ত্ৰীৰ মুখে সকলো কথা শুনি হীৰুৱে ক'লে— "মোৰ এই শিয়াল বন্ধু থাকোঁতে আপুনি কোনো চিন্তাকে নকৰিব। আপুনি শিয়ালৰ পিঠিত উঠিলেই সি আপোনাক যুৱৰাজৰ উপযুক্তা কন্যাৰ ওচৰলৈ লৈ যাব।

মন্ত্ৰীয়ে ভাবিলে এতিয়া আৰু বেলি কৰা উচিত নহয়। তেওঁ হীৰুক ক'লে— "তেন্তে মই এতিয়াই কন্যা বিচাৰি যাওঁ।"

হীৰুৱে ক'লে— "সেইটো কেনেকৈ হ'ব? আপুনি বুঢ়া মানুহ ইমান দূৰ আহি বৰ কষ্ট পাইছে। তাতে আপুনি ৰাজ্যৰ মন্ত্ৰী। এতেকে কেইদিনমান নিজিৰোৱাকৈ আপোনাক কলৈকো যাব নিদিওঁ। মোৰ ঘৰ এয়া ওচৰতে। আপুনি তাতে থাকিব লাগিব।"

মন্ত্ৰীয়ে ক'লে— "এতিয়া আৰু জিৰাবৰ সময় নহয়। কাম শেষ হ'লে চিৰদিন জিৰাব পাৰিম। এতিয়া আৰু এইদৰে সময় নষ্ট কৰিব নোৱাৰি। হীৰু, মানুহৰ ঘৰত যেতিয়া জুই লাগে, তেতিয়া মানুহে জিৰাব পাৰেনে?"

হীৰুৱে ক'লে— "ভাল, তেনেহলে আজি ৰাতিটো আমাৰ ইয়াতে থাকি কাইলৈ নিচেই ৰাতিপুৱাই যাত্ৰা কৰিব। মোৰ শিয়াল বন্ধু যেতিয়া আপোনাৰ লগত আছে আপুনি কোনো আশঙ্কা কৰিব নালাগে।" ঠিক এইবুলি কৈ হীৰুৱে শিয়াল বন্ধুক ক'লে— "বন্ধু, মন্ত্ৰী ডাঙৰীয়াক গান এটা গাই শুনোৱাচোন?"

শিয়ালে আকাশৰ ফালে চাই চাই গান গাবলৈ ধৰিলে। শিয়ালৰ

গলাত ইমান ভাল গান শুনি মন্ত্ৰীৰ বৰ হাঁহি উঠিল। মন্ত্ৰীয়ে জীৱনত অনেক শিয়াল দেখিছে, কিন্তু মানুহৰ দৰে কথা কব বা গান গাব পৰা শিয়াল তেওঁ ক'তো দেখা যি নায়েই, শুনাও নাই।

মন্ত্ৰীয়ে শিয়ালৰ পিঠিত চপৰিয়াই ক'লে— "তোমাক ধন্যবাদ দিছোঁ, তোমাৰ অনেক গুণ আছে। তুমি নিশ্চয় মোৰ কামটো সিদ্ধি কৰিব পাৰিবা।" শিয়ালে নেজডাল জোকাৰি জোকাৰি উত্তৰ দিলে— "মই যেতিয়া লগত আছোঁ, আপোনাৰ কোনো ভয় নাই। হু-ৱা, হু-ৱা, হু-ৱা।"

পিছদিনা খুব ৰাতিপুৱা মন্ত্ৰী শিয়ালৰ পিঠিত উঠিল, আৰু শিয়ালটো লৰি যাবলৈ ধৰিলে। বহুত দূৰ বাট গৈ শিয়ালটো এখন প্ৰকাণ্ড সাগৰৰ পাৰত ৰ'লগৈ।

মন্ত্ৰীয়ে আচৰিত হৈ সুধিলে— "কি হেঁ, এতিয়া কি কৰিব খুজিছা, শিয়াল বন্ধু? এতিয়া এই অপাৰ সমুদ্ৰ কেনেকৈ পাৰ হবা?" শিয়ালটোৱে ক'লে— "আপুনি মোৰ পিঠিত নিৰ্ভয় মনে উঠক।" এইবুলি শিয়ালে মন্ত্ৰীক লৈ পানীত জাপ মাৰি পৰিল।

সন্ধ্যা সময়ত শিয়ালে মন্ত্ৰীক এটা দ্বীপত তুলিলেগৈ। মন্ত্ৰীয়ে ক'লে— "এইখন কি দেশ?" শিয়ালে ক'লে— "এইখনেই সেই কন্যাৰ ৰাজ্য। ইয়াতেই যুৱৰাজৰ উপযুক্ত কন্যা পাব। কিন্তু এই কন্যা পাবলৈ মোৰ পৰামৰ্শ মতে কাম কৰক। বোধকৰো আপুনি সৌ নৈখনৰ পাৰত এটা শিৱমন্দিৰ দেখিছে! প্ৰত্যেক পূৰ্ণিমা ৰাতি সেই ৰাজকন্যাই এই মন্দিৰত পূজা কৰিবলৈ আহে। আজিও পূৰ্ণিমা, ৰাজকন্যাই আজিও পূজা কৰিবলৈ আহিব। আপুনি সন্যাসীৰ বেশ ধৰি মন্দিৰৰ ওচৰতে ধ্যান কৰি থাকিব। আপোনাক দেখি ৰাজকন্যাই ওচৰলৈ আহি সেৱা কৰিব। মই আপোনাৰ গুৰিতে লুকাই থাকিম। যেতিয়াই কন্যাই সেৱা কৰিবলৈ মূৰটো বেকা কৰিব, আপুনি তৎক্ষণাত তেওঁক ধৰি মোৰ পিঠিত তুলি দিব আৰু আপুনিও উঠি ল'ব। মই লৈ গুচি আহিম।"

শিয়ালৰ কথা মতে কাম কৰি মন্ত্ৰীয়ে ৰাজকন্যাক লৈ নিজ দেশলৈ গুচি আহিল।

ছোৱালীজনীৰ ৰূপ দেখি সকলো মানুহ আচৰিত হ'ল। যুৱৰাজে ক'লে—, "হয়, মই এই কন্যাকে বিচাৰিছিলো আৰু মই এওঁক সদায়



মন্ত্ৰী শিয়ালৰ পিঠিত উঠিল আৰু
শিয়ালটো লৰি যাবলৈ ধৰিলে।

ৰাতি সপোনত দেখিছিলোঁ।'' ইয়াৰ পিছত গোটেই ৰাজ্যত বৰ ডাঙৰ উৎসৱ হ'ল।

বহুত দিন ৰাজ্যত মন্ত্ৰী নাই, গোটেই ৰাজ্যত বেমেজালি হৈছে। কোনেও কব নোৱাৰিছিল মন্ত্ৰী কেনি গ'ল। ভাবি-চিন্তি ৰজা অস্থিৰ হৈ পৰিছিল।

ইমান দিনৰ মূৰত মন্ত্ৰী ঘূৰি আহিছে আৰু তেওঁৰ লগত যুৱৰাজৰ উপযুক্তা কন্যা আহিছে; সকলোৰে মনত আনন্দ নধৰা হৈছে।

শুভদিনৰ শুভক্ষণত যুৱৰাজৰ বিয়া হৈ গ'ল। ৰজাই আনন্দত আপোন-পাহৰা হৈ নাচিবলৈ ধৰিলে। এতিয়া তেওঁৰ সকলো দুশ্চিন্তাৰ শেষ হ'ল।

এই বিয়াত সকলোতকৈ সৰহ সন্মান পালে কোনে? হীৰু আৰু তাৰ শিয়াল বন্ধুৱে। ○○

নন্দন প্ৰকাশৰ দ্বাৰা
প্ৰকাশিত পুথিসমূহ ঃ
জীৱন মাধুৰী নেওগ বৰাৰ

- ৰ'দ জিল মিল
- ঈশ্বৰলৈ অভিযোগ
- বনৰ বন্ধুৰ মনৰ খবৰ